REFERENCE,
( NOT FOR ISSUE )
READING ONLY INSIDE LIBRARY

# Assam Legislative Assembly Debates

सत्यमेव जयते

1990

## OFFICIAL REPORT

FUORTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SEVENTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## (BUDGET – SESSION )

## VOL. IV

## NO. 4

The 2nd March, 1984

*Geetali Art Press, G. S. Road, Dispur,*
*Guwahati—781022*

REFERENCE,
( NOT FOR ISSUE )
READING ONLY INSIDE LIBRARY

# Assam Legislative Assembly Debates

सत्यमेव जयते

1990

## OFFICIAL REPORT

FUORTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SEVENTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## (BUDGET – SESSION )

## VOL. IV

**NO. 4**

The 2nd March, 1984

*Geetali Art Press, G. S. Road, Dispur, Guwahati—781022*

REFERENCE,
( NOT FOR ISSUE )
READING ONLY INSIDE LIBRARY

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1984

( Budget Session )

Volume— IV

No— 4

Dated the 2nd March, 1984,

## CONTENTS.


| | | | Page No. |
|---|---|---|---|
| 1 Questions | — | — | 5— 20 |
| 2: Celling Attention Notice— | | — | 21— 24 |
| 3, Miscellaneous— | — | — | 25—28 |
| 4: Debate on Governor's Address— | | — | 29— 57 |
| 11, Adjournment— | | — | —58 |

Proceedings of the Fourth Session of the Assam Legislative Assembly assembled after the Seventh General Election under Sovereign Democratic Republican Constitution of India.

—+—

The House met in the Assembly Chamber, Dispur, Gauhati on Friday, the 2nd March, 1984, with the Hon. Speaker in the Chair, 15 (fifteen) Ministers, 3 (three) Ministers of State, 4 (four) Deputy Ministers and 58 (Fifty eight) Members Present.

—+—

## STARRED
## QUESTIONS AND ANSWERS

Date : 2nd March, 1984

(To which oral answers were given)

—+—

### Re : TRANSFER OF SCHOOL TEACHER.

Shri Bargaram Deuri asked :—

*9. Will the Minister Education be pleased to state :

a) Is it a fact that transfer of teachers of provincialised H. E. Schools, Higher Secondary Schools and M. E. Schools has been stopped ?

b) If so, why ?

Shri Mukul Sarma ( Minister, Education ) replied :

*9. (a) No.

b) Dose not arise.

শ্ৰীবৰ্গৰাম দেউৰী :— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে প্ৰভিন্‌চিয়েলাইজ স্কুল আৰু চৰকাৰী স্কুলৰ মাজত কিবা পাৰ্থক্য আছে নেকি ?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, প্ৰভিন্‌চিয়েলাইজ স্কুল আৰু চৰকাৰী স্কুলৰ দৰমহা আদিৰ ক্ষেত্ৰত তেনে কোনো পাৰ্থক্য নাই। কিন্তু আমি প্ৰভিন্‌চিয়েলাইজ স্কুলৰ ঘৰবোৰ এতিয়াও সম্পূৰ্ণ কৰিব পৰা নাই। চৰকাৰী স্কুলবোৰৰ ঘৰ আদিৰ কাম কৰা হৈছে।

শ্ৰীবৰ্গৰাম দেউৰী :— অধ্যক্ষ মহোদয়, এই স্কুলৰ মাজত যিখিনি পাৰ্থক্য আছে সেইখিনি নোহোৱা কৰিবৰ কাৰণে কিবা ব্যৱস্থা লোৱা হৈছে নে ?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, এইটো আমি এতিয়া বিবেচনা কৰা নাই সময়ত হয়তো বিবেচনা কৰা হ'ব।

শ্ৰীবৰ্গৰাম দেউৰী :— এইটো কেতিয়া বিবেচনা কৰা হব জনাবনে ?

শ্ৰীমুকুট শৰ্ম্মা :— অধ্যক্ষ মহোদয়, যেতিয়াই এইটো প্ৰয়োজন অনুভৱ কৰা হয় তেতিয়াই বিবেচনা কৰা হব ।

Shri Debesh Chakravarty :— Mr. Speaker, Sir, May I know from the hon'ble Minister whether there is any proposal to transfer teachars of deficit colleges ?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, এইটো প্ৰশ্ন হৈছে স্কুলৰ সম্পৰ্কত মাননীয় সদস্য গৰাকীয়ে ইয়াৰ বাবে বেলেগ প্ৰশ্ন দিলে মই উত্তৰ দিব পাৰিম ।

Shri Benoy Kumar Basumatari :— Sir, in reply to question (a) the reply of the Minister is 'No'. But has there been any 'stay'. The Minister has answaered that transfer has not been stopped, but have they been "stayed" ?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে প্ৰভিন্‌চিয়লাইজ স্কুলৰ ট্ৰেন্সফাৰ অৰ্ডাৰ ষ্টে কৰা হৈছে বুলি যিটো প্ৰশ্ন কৰিছে সেইটো প্ৰকৃততে নহয় । ব্যক্তিগত কাৰণত কাৰোবাক ট্ৰেন্সফাৰ কৰিব লগা হব পাৰে । কিন্তু সাধাৰণ যিটো অৰ্ডাৰ সেইটো কৰা হোৱা নাই ।

Shri Benoy Kumar Basumatari :— Yes Sir, My school headmaster was transfered and it was

stayed. So I inform the House that he has made an incorrect statement.

শ্ৰীবৰ্গৰাম দেউৰী :— প্ৰভিন্‌চিয়েলাইজ স্কুলৰ শিক্ষক সকলক এতিয়াও বদলি কৰি থকা হৈছে নেকি ?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) :— হয়, কৰা হৈছে ।

শ্ৰীবৰ্গৰাম দেউৰী :— কিমান জন শিক্ষকক বদলি কৰা হৈছে জনাবনে ?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) :— বহুতো শিক্ষককেই বদলি কৰা হৈছে কিন্তু কিমানজনক কৰা হৈছে সেইটো এতিয়াই মই কব নোৱাৰিম ।

Shri Md. Umaruddin :— Sir, the point is Government High School is a separate cadre and so also the provincialised High School. Have they been encadred together ? If they are not encadred together can they be mutually transferred ?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, যেতিয়ালৈকে তেওঁলোকক এনে কেডাৰ কৰা নহয় তেতিয়া লৈকে এইটো কৰা নহয় ।

Shri Md. Barkatullah :— Sir one teachar of B.S. High Madrassa was transfarred on the ground of agitation but his transfer was stayed. May I know from the hon'ble Minister the reasons for his stay order ?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, ইয়াৰ বাবে মোক বেলেগ প্ৰশ্ন দিলেহে উত্তৰ দিব পৰা হব।

## Re : PHYSICALLY HANDICAPPED REGISTERED UNEMPLOYED YOUTH

Shri Ketaki Prasad Dutta asked :

*10. Will the Minister Labour etc. be pleased to state :—

a) The present number of physically Handicapped registered Unemployd Educated Youths in the State?

b) The number of Physically Handicapped registered Unemployed Educated Youth given Unemployment since the Physically Handicapped year was observed by the Government ?

c) Whether the Government is giving preference to Physically Handicapped candidates for appointment in Govt. Service ?

d) The number of such candidates given employment ?

Shri Rameswar Dhanowar (Minister, Labour and

Employment) replied :—

10. (a) 468.

b) 36.

c) Yes, (i) 3% posts-Grade III and IV reserved for the Physically Handicapped persons both by the Central Govt. and State.

(ii) Upper age limit of the physically-Handicapped applicants is raised to 35 years.

d) 39.

Re :— UNEMPLOYED PERSONS.

Shri Hemen Das asked :

* 11. Will the Minister Labour be pleased to state —

The number of Unemploped persons in the State on 31st December 1983 ?

Shri Rameswar Dhanowar ( Minister Labour and Employment ) replied :—

11. The total number of Unemployed persons remain-

ing on the Live Register of the Employment Exchanges on 31st December, 1983 is 4,76,760.

শ্ৰীপূৰ্ণ বড়ো :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে ৩১ ডিচেম্বৰ, ১৯৮৩ চনলৈকে নিবনুৱাৰ যিটো পৰিসংখ্যা দিলে তাত কিমান জন 'নন্-মেট্ৰিক,' কিমানজন 'মেট্ৰিক' আৰু কিমান জন 'গ্ৰেজুৱেট' নিবনুৱা আছে সেইটো মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীৰামেশ্বৰ ধানোৱাৰ (মন্ত্ৰী) :—মাননীয় অধ্যক্ষ মহোদয়, সেই হিচাবটো এতিয়াই দিব পৰা নহব।

শ্ৰীপূৰ্ণ বড়ো :— মাননীয় অধ্যক্ষ মহোদয়, ৩১ ডিচেম্বৰ, ১৯৮৩ চনলৈকে ৪,৭৬, ৭৬০ জন নিবনুৱাৰ যি হিচাব আমাক দিলে সেই পৰিপ্ৰেক্ষিতত মই মাননীয় মন্ত্ৰী মহোদয়ক এই প্ৰশ্ন সুধিব খুজিছো যে, যি বিলাক নিয়োগ বিনিময় কেন্দ্ৰৰ পৰা এই হিচাব দিয়া হৈছে সেই নিয়োগ বিনিময় কেন্দ্ৰ বিলাকৰ মুঠ সংখ্যা কিমান ?

শ্ৰীৰামেশ্বৰ ধানোৱাৰ (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ কাৰণে বেলেগ প্ৰশ্ন লাগে।

বিষয় : চিনিয়ৰ মাদ্ৰাছাৰ শিক্ষকৰ দৰমহা।

শ্ৰীপূৰ্ণ বড়োৱে সুধিছে :—।

* ১২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) এই কথা সচাঁনে যে বাজ্জিক মাদ্ৰাছা শিক্ষক বৰ্ডৰ অন্তৰ্গত

চৰকাৰী সাহাৰ্য্য প্ৰাপ্ত চিনিয়ৰ মাদ্ৰাছাৰ শিক্ষক আৰু কৰ্ম্মচাৰী সকলে যোৱা চেপ্তেম্বৰ মাহৰ পৰা দৰমহা পোৱা নাই?

(খ) যদি সঁচা, দৰমহা দিয়াৰ ব্যৱস্থা কৰা হৈছে নে?

শ্ৰীমুকুট শৰ্ম্মা (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে —।

১২। (ক) হয়, দিব পৰা হোৱা নাছিল।

(খ) দৰমহা দিয়াৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীপূৰ্ণ বড়ো :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে চিনিয়ৰ মাদ্ৰাছাৰ শিক্ষক সকলক দৰমহা দিব পৰা হোৱা নাই। এই দৰমহা কিমান মাহৰ বাকী আছে আৰু কিয় দিব পৰা নাই মন্ত্ৰী মহোদয়ে জনাব নে?

শ্ৰীমুকুট শৰ্ম্মা (শিক্ষা মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, এই শিক্ষক সকলক দৰমহা দিবৰ কাৰণে প্লেনৰ টকা কম হোৱা কাৰণে আমি নন্‌ প্লেনৰ পৰা টকা লব লগা হয়। এই নন্‌ প্লেনৰ টকা লবলৈ যাওঁতে আমাক কিছু সময়ৰ প্ৰয়োজন হয় আৰু সেই কাৰণেই যোৱা আগষ্ট মাহৰ পৰা এই শিক্ষক সকলক দৰমহা দিব পৰা হোৱা নাছিল। শেষত আমাৰ মুখ্যমন্ত্ৰীৰ অনুমতি সাপেক্ষে তেওঁলোকৰ টকাখিনি দিয়াৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীপূৰ্ণ বড়ো ঃ— এই টকাখিনি কেতিয়ালৈকে দিব পৰা হব জনাব নে?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) :— যোৱা ১৪-২-৮৪ তাৰিখে এই টকা-

খিনিৰ অনুমোদন আমাৰ বিভাগৰ পৰা পঠোৱা হৈছে।

শ্ৰীমথুৰা ডেকা :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এটা জনাব নে যে কামৰূপ জিলাৰ হাইস্কুলৰ শিক্ষক সকলে আজি কিছুদিন দৰমহা কিয় পোৱা নাই ?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, আমি মাদ্ৰাছা স্কুলৰ বিষয়েহে আলোচনা কৰিছো। হাইস্কুলৰ বাবে বেলেগে প্ৰশ্ন দিব লাগিব।

Shri Hassanuddin Ahmed :— Sir, whether it is a fact that recognition of M.E. Madrassa and M.E. Schools are pending for years together in DPI's office ?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, এইটো বেলেগে প্ৰশ্ন দিলেহে মই উত্তৰ দিব পাৰিম।

Shri Hassanuddin Ahmed :— I mean recognition is pending ; permission was given but recognition was not given.

Shri Afzalur Rahman :— Mr. Speaker, Sir. Whether the payment to the madrasssa taken over by the Government is a committed liability and if it is a committed liability why the Government is neglecting to bear this committed liability ?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, এই বিষয়ে কোনো অবহেলা কৰা হোৱা নাই। আমাক প্লেনৰ টকা কম হোৱা কাৰণে নন্

প্লেনৰ টকা আনিব লগা হোৱাত কিছু পলম হৈছে।

Shri Afzalur Rahman :— Mr. Speaker, Sir, Whether there are such instances in the Government in other Departments also?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, মাদ্ৰাছাৰ শিক্ষক সকল সম্পূৰ্ণ চৰকাৰী নহয়। গতিকে অলপ অসুবিধা হয়। আনবোৰ বিভাগত কি হৈছে মই নাজানো।

Shri Benoy Kumar Basumatari :— Sir, it is already 2nd March today and hardly twentyeight days remain and if transfer from plan and non-plan resources and payment is not carried out even to day does the Government expect to complete the formalities within this financial year?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, এইটো ইতিমধ্যে সম্পূৰ্ণ কৰা হৈছে।

বিষয় ঃ লস্যূভ মূল্যৰ দোকান।

শ্ৰীপূৰ্ণ বড়োৱে সুধিছে :— ।

* ১৩। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) নিত্য প্ৰয়োজনীয় সামগ্ৰী যোগান ধৰাৰ কাৰণে অসমত কিমান খন সুলভ মূল্যৰ দোকান আছে ?

(খ) সুলভ মূল্যৰ দোকানৰ যোগেদি প্ৰয়োজনীয় সামগ্ৰী যোগান ধৰা হয় নে ?

শ্ৰীতিলক চন্দ্ৰ গগৈ (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :— ।

১৩। (ক) গোটেই ৰাজ্যখনত মুঠ ২০১৫১ খন খুচুৰা বিক্ৰীকেন্দ্ৰ সুলভ মূল্যৰ দোকান আছে।

(খ) হয়। বৰ্তমান চাউল, ঘেহুজাতীয় সামগ্ৰী, নিয়ন্ত্ৰিত চেনী, আমদানি কৃত খোৱাতেল, নিমখ, কেৰাচিন তেল, নিয়ন্ত্ৰিত মূল্যৰ কাপোৰ আদি ৰাজহুৱা বিতৰণ কৰা হয়।

শ্ৰীপূৰ্ণ বড়ো :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে নিত্য প্ৰয়োজনীয় বস্তু যোগান ধৰিব পৰা দোকানৰ সংখ্যা অসমত ২০১৫১ খন আছে। কিন্তু প্ৰত্যেক মহকুমাত কেইখন দোকান আছে সেই কথা মন্ত্ৰী মহোদয়ে জনাব পাৰিবনে ?

শ্ৰীতিলক গগৈ (মন্ত্ৰী) :— মহকুমাভিত্তিক হিচাব মোৰ হাতত নাই। গাওঁ আৰু নগৰ হিচাবে আছে। কিছুমান গাওঁ অঞ্চলত আৰু কিছুমান নগৰত পৰিছে।

শ্ৰীপূৰ্ণ বড়ো ;— অধ্যক্ষ মহোদয়, ইমানবোৰ দোকান থকা স্বত্তেও নিত্য প্ৰয়োজনীয় বস্তু সময়মতে যোগান ধৰিব পৰা নাই এই কথা মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীতিলক গগৈ ( মন্ত্ৰী ) :— যোগান বিভাগে এই সমূহত মাহেকীয়া হিচাপত নিত্য প্ৰয়োজনীয় বস্তুৰ যোগান ধৰে। আৰু এফ, চি, আইৰ পৰা নিয়ম মতে সেইদৰে চাপ্লাইও কৰা হয়। অৱশ্যে কেতিয়াবা কেতিয়াবা কৰবাত অলপ পলম হয়। কিন্তু বস্তু বিতৰণৰ ক্ষেত্ৰত সমভাৱেই কৰা হয়। সমবায়ে বস্তু নি যোগান ধৰোতে কেতিয়াবা কৰবাত হীন দেৰী হব পাৰে।

শ্ৰীপূৰ্ণ বড়ো :— অধ্যক্ষ মহোদয়, কিছুমান ঠাইত এই সামগ্ৰী সমূহৰ যোগান একেবাৰে অনিয়মীয়া, সেই বোৰ নিয়মীয়া কৰাৰ কিবা ব্যৱস্থা চৰকাৰে কৰিবনে ?

শ্ৰীতিলক গগৈ ( মন্ত্ৰী ) :— আমাৰ যোগান বিভাগৰ পৰা যি বস্তু দিয়ে সেইবোৰ বেচনৰ চাউল আদি বস্তু বোৰ প্ৰত্যেক মাহৰ ১০ তাৰিখৰ লিফ্‌ট কৰিব লাগে। এই ধৰণৰ চৰকাৰী আদেশ আদি দিয়া আছে। সেইমতে সমবায় বিলাকে বস্তু নিয়ে।

Shri Benoy Kumar Basumatari :— Sir, is the Government aware that the F. C. I. godowns are almost empty and no supply has been made to my Sub-division for the last 6 month ?

শ্ৰীতিলক গগৈ ( মন্ত্ৰী ) :— এফ, চি, আইৰ গুদাম বোৰ একেবাৰে খালী বুলি মই কব নোৱাৰোঁ। কৰবাত খালী হলেও অন্য এঠাইৰ পৰা নি যোগান দিয়া হয়। গুদাম বোৰ বি, জি পইণ্টৰ পৰা আছে আৰু কিছুমান মিটাৰ গজৰ পৰাও আছে। সামগ্ৰী সমূহ বি, জিৰ পৰাও গুদামলৈ যায় আৰু মিটাৰ গজৰ পৰাও যায়। সেই কাৰণে মই কৈছোঁ কেতিয়াও সকলো গুদাম একেলগে খালী নাথাকে।

Shri Benoy Kumar Basumatari :— Is the Government aware that supplies to Darrang district is most irregular and we have not rcceived even sugar and rice from the Samabava ?

শ্ৰীতিলক গগৈ (মন্ত্ৰী) :— দৰং জিলাতো এফ,চি,আইৰ চব গুদাম খালী বুলি মই কব নোৱাৰো। কাৰণ মই কৈছোৱেই বি, জি লাইনৰ পৰা আৰু মিটাৰ লাইনৰ পৰাও বস্তু গুদামলৈ অনা হয়। সেয়েহে কৰবাত কম থাকিলেও অন্য এঠাইৰ পৰা আনি মিলাই দিয়া হয়। আৰু এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত এই বস্তু বোৰ আনি যোগান দিব লাগে।

শ্ৰীমৌলানা আব্দুল জলিল চৌধুৰী :— অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয় জানেন কি যে প্ৰত্যেক গ্ৰাম পঞ্চায়েত থেকে লোক সংখ্যা গননা করে সেই অনুপাতে এই লোকগুলিকে রেশন দেওয়ার ব্যবস্থা করা হয়। কিন্তু আজ দীর্ঘদিন যাবত্ গ্ৰামের লোকদেরে নিয়মিত রেশন দেওয়া হচ্ছে না। তাছাড়া যে পরিমাণে রেশন তা দেরে দেওয়ার কথা তাও দেওয়া হচ্ছে না। যদি দেওয়া না হয়ে থাকে তবে তার বিহিত ব্যবস্থা নেওয়া হবে কি ?

শ্ৰীতিলক গগৈ ( মন্ত্ৰী ) :— সমবায় বিলাকে বস্তু লিফ্ট্ কৰি আনি গাওঁৰ মানুহক যোগান দিব লাগে সেয়ে সময়মতে সকলো বস্তু মানুহে পোৱাৰ ক্ষেত্ৰত সমবায় সচিব আৰু অন্যান্য কৰ্ম্মচাৰী সকলৰ সাধুতাৰ ওপৰতো নিৰ্ভৰ কৰে। আমি মাহেকীয়া কোটামতে বস্তু দিওঁ আৰু এই বস্তু প্ৰত্যেক মাহৰ ১০ তাৰিখৰ ভিতৰত লিফ্ট কৰিব লাগে। এই নিয়মমতে চলি আছে।

শ্ৰীমৌলানা আব্দুল জলিল চৌধুৰী :— স্যার, এটা আমার প্ৰশ্ন

নয়। আমার প্রশ্নছিল সরকার লোক গণনা করে নিয়ে এসে যে পরিমানে রেশন দেওয়ার কথাতো দেওয়া হচ্ছে না। যদি তা দেওয়া না হয়ে থাকে তাহলে তা বড়াবার ব্যবস্থা করা হবে কি না?

শ্রীতিলক গগৈ (মন্ত্রী) :— আমি যোগান বিভাগৰ হিচাব মতে দিওঁ। এতিয়া অৱশ্যে নতুনকৈ চেন্সাস কৰা নাই। আগৰ হিচাবমতে দি আছো। অৱশ্যে গাওঁ আৰু নগৰৰ অলপ প্ৰাৰ্থক্য আছে।

Shri Benoy Kumar Basumatari :— Sir, by his reply, the Minister has indirectly admitted that the supplies are made from B.G. point and from F.C.I godown. Actually what is the arrangement? Does the transport serviee move from their offices, i. e, from their place of establishment to the B.G. point and carry the materials from B.G. point to their establishment? What is the arrangement?

শ্রীতিলক গগৈ (মন্ত্রী) :— মাননীয় সদস্য গৰাকীক মই হয়তো কথাটো ভালকৈ বুজাব পৰা নাই। বি,জিৰ পইণ্টৰ পৰা যি বিলাক গুদাম লৈ বস্তু অনা হয় তাত কেতিয়াও খালী নাথাকে। কিন্তু মিটাৰ গজৰপৰা যি বিলাক গুদামলৈ বস্তু অনা হয় তাত কেতিয়াবা কম থাকিব পাৰে। আৰু কম হলেও অন্যান্য গুদামৰ পৰা নি বস্তু যোগান দিয়া হয়।

শ্রীমৌলানা আব্দুল জলিল চৌধুরী :— অধ্যক্ষ মহোদয়, মন্ত্রী মহাশয়কে আমি হয়তো বুঝাতে অক্ষম হয়েছি। আমার কথা হলো যে গ্রাম পঞ্চায়েত থেকে লোক সংখ্যার হিসাব এনে দোকান গুলতে দেওয়া

হয়। কিন্তু সেই সংখ্যা অনুপাতে যতটা জিনিষ সরবরাহ করার কথা তা না করে কখনো কখনো তার অর্ধেক বা চার ভাগের এক ভাগ সরবরাহ করে থাকেন? যদি তাহয়ে থাকে তা হলে তা বাড়াবার ব্যবস্থা করা হবে কি না? এটাই আমার প্রশ্ন ছিল।

শ্ৰীভিলক গগৈ (মন্ত্ৰী):— মাননীয় সদস্য গৰাকীয়ে যিটো প্ৰশ্ন কৰি ছ সেইটো মই কৈছোৱেই যে আমাৰ হিচাপ মতেই ৰেচন দি থকা হৈছে। আকৌ নতুনকৈ বঢ়াই দিব লাগিলে নতুন হিচাপ হব লাগিব। তাৰ পিচতহে বঢ়াই দিয়াৰ ব্যবস্থা কৰিব পাৰিম।

শ্ৰীমৌলানা আব্দুল জলিল চৌধুরী:— এই ব্যাপারে 'এনকুয়ারী' করে দেখা হউক যে, যে পরিমানে দেওয়ার কথাত দেওয়া হয়েছি কি না?

শ্ৰীভিলক গগৈ (মন্ত্ৰী):— সেইটো দিয়া হৈছে। সমবায় বোৰে সময়মতে বস্তু নিব পাৰি ছেনে নাই সেইটোৰ ওপৰতহে বস্তু যোগান পোৱা নোপোৱা নিৰ্ভৰ কৰে।

Shri Benoy Kumar Basumatari :— Mr. Speaker, Sir, I have a point of Order. I refer to Rule 30 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly wherein it say, "Unless the Speaker otherwise directs the first hour of every meeting shall be available for the asking and answering of qnestions", that is, one hour is for questions. We have submitted our questions in time, Sir but we have seen in the past few days not more than 4

questions a day are tabled today it is 5 tendered by the Government for dealing. What will be your ruling and the replies from the Government in this matter ?

Shri Abdul Muhib Majumndar (Minister) :— Mr. Speaker, Sir, regarding the questions at the initital stage there was some delay in obtaining the materials by the departments. But after that we have taken it up with all the departments and we are now trying to expedite and it is now coming in increasing numbers.

Shri Benoy Kumar Basumatory :— Sir, from our experience we have seen that the replies of questions are always low in numbers.

Shri Abdul Muhib Majumdar (Minister) :— Sir, we are trying to expedite it.

শ্ৰীপূণ্য বড়ো :— মাননীয় অধ্যক্ষ মহোদয়, ইয়েই জানো প্ৰশাসনে চৰকাৰৰ লগত সহযোগ কৰি কাম নকৰাৰ প্ৰমাণ নহয় জানো ?

Shri Abdul Muhib Majumdar (Minister) :— Sir, now the replies are coming and the number is increasing. We are trying to expedite them.

Mr. Speaker:— It is not a point of order. The

first hour of the business of the Heuse is the question hour. I think the Hon'ble Minister for Parliamentary Affairs will try to expedite submission of the replies of questions of different departments so that we will devote the whole-time of the question-hour more profitably.

Shri Purno Broa :— Sri, I beg to call the attention of the Minister, Co-operation, under Rule 54 of the Rules of procedure and Conduct of Business in Assam Legislatave Assembly at the news item appearing in the 'Dainik Asom' dated 1-th Febarury, 1984, uuder the caption. "নীতি নিৰ্দ্ধাৰণত হেমাহিৰ বাবে ধান সংগ্ৰহৰ ব্যৰ্থতা"

শ্ৰীতিলক গগৈ :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জনে উত্থাপন কৰা বিষয়টোৰ ওপৰত এই বিবৃতি মই দাঙি ধৰিছো,

" নীতি নিৰ্দ্ধাৰণত হেমাহিৰ বাবে ধান সংগ্ৰহৰ ব্যৰ্থতা" শিতান স্থানীয় দৈনিক অসমৰ ১৯৮৪ চনৰ ১০ ফেব্ৰুৱাৰীত প্ৰকাশিত বাতৰিটোলৈ মোৰ দৃষ্টি আকৰ্ষিত হৈছে ।

অভিযোগ কৰা মতে ধান সংগ্ৰহ নীতি নিৰ্দ্ধাৰণ কৰাত অৱহেলা কৰাটো আৰু ধান সংগ্ৰহৰ কাৰ্য্য চৰকাৰৰ নীতি নিৰ্দ্ধাৰণ নকৰাৰ বাবে ক্ষতিগ্ৰস্ত হোৱাটো সত্য নহয় । মূল্য সমৰ্থন আঁচনি মতে ধান সংগ্ৰহ কৰা হয় । চৰকাৰে ২৮।১১।৮৩ ইং তাৰিখে " ষ্টেট ফেডৰ" পৰিচালন সংঞ্চালক, উপায়ুক্ত আৰু মহকুমাধিপতি সকলৈ উক্ত আচনি মতে ধান সংগ্ৰহ কৰিবলৈ আৱশ্যকীয় নিৰ্দ্দেশনা পঠাইছিল । কিন্তু

বজাৰত ধানৰ মূল্য চৰকাৰে ধাৰ্য্য কৰি দিয়া নিম্নতম সমৰ্থন মূল্যতকৈ সদায় ওপৰত থকাৰ বাবে এই বছৰত খেতিয়ক সকলে অভাৱৰ তাড়-নাত ধান বিক্ৰী কৰিবলগীয়া হোৱা নাই আৰু সেই বাবে সমৰ্থন মূল্যত আশানুৰূপ পৰিমাণৰ ধান সংগ্ৰহ হোৱা নাই।

" The Assam Paddy and Rice Procurement" (Levy and Licencing) Order 1983 খন ৩১-১২-৮৩ তাৰিখে কাৰ্য্য-কৰি কৰা হয়, যিহেতুকে ভাৰত চৰকাৰে উক্ত অধ্যাদেশ জাৰি কৰিবলৈ ২৭-১১-৮৩ তাৰিখেহে অনুমোদন দিয়ে। এই অধ্যাদেশ কেৱল চাউল সংগ্ৰহৰ ক্ষেত্ৰতহে প্ৰয়োজ্য ধানৰ ক্ষেত্ৰত নহয়। ইয়ে প্ৰমাণ কৰে যে ধান সংগ্ৰহত চৰকাৰে আৱশ্যকীয় সময়োচিত ব্যৱস্থা নোলোৱা অভি-যোগ সত্য নহয়। ধান কলত মালিক আৰু সংগ্ৰাহক সকলে চাউলহে যোগাব লাগে। ধান কলৰ মালিক সকলৰ পৰা তেওঁলোকৰ দেয় চাউল খিনি সম্পূৰ্ণভাবে আদায় কৰাৰ বাবে জোৰ প্ৰচেষ্টা চলোৱা হৈছে। এই বছৰৰ ২৮-২-৮৪ তাৰিখলৈকে মূল্য সমৰ্থক আচনি মতে ১৫,৭৮২.৮০ কুইণ্টল ধান সংগ্ৰহ কৰিছে আৰু তাৰে ভিতৰত কাৰ্বি আংলঙৰ সংগ্ৰহৰ পৰিমাণ ৭৩৪২.৬৬ কুইণ্টল। মিল মালিক সকলৰ পৰা তেওঁলোকৰ সংগ্ৰাহিত ২০৯৩৭.৭০ কুইণ্টল ধানৰ বীপৰিতে পাব লগা চাউলৰ পৰিমাণ ১১,৭৫০.৬১ কুইণ্টল। ইয়াৰ ওপৰিও নিযুক্ত ব্যৱসায়ী (ে) (ডিলাৰ) সকলৰ সংগ্ৰহৰ পৰিমাণ ১৭৫৭.৭০ কুইণ্টল ধান। এইখিনিতে উল্লেখ কৰিব পাৰি যে যদিও খাতিৰ সংগ্ৰহৰ কাল অক্টো-বৰত আৰম্ভ হয়, প্ৰকৃততে অসমত নৱেম্বৰৰ শেষত ফালেহে সংগ্ৰহ কাৰ্য্য আৰম্ভ হয় আৰু ডিচেম্বৰ আৰু জানুৱাৰীৰ মাজ ভাগত পূণ্যপৰ্য্যায় লাভ কৰে।

চৰকাৰৰ নিৰ্দ্ধাৰিত সমৰ্থন মূল্য প্ৰতি কুইণ্টলত ১৩২.০০ টকাৰ

পৰা ১৪০.০০ টকাৰ বীপৰিতে বজাৰ চলিত মূল্য কুইণ্টলে প্ৰতি ১৬০.০০ টকা বা তাতো উৰ্দ্ধত আছিল। সেইবোৰ ধানত চৰকাৰে ধাৰ্য্য কৰা পৰিমাণতকৈ বহু বেছি পৰিমাণে আৰ্দ্ৰতা আছিল। ইয়াৰ দ্বাৰা বুজা যাব যে চৰকাৰৰ ফালৰ পৰা ধান সংগ্ৰহত লব লগা সকলো ব্যৱস্থা সময় মতে লোৱা হৈছিল।

শ্ৰীপূৰ্ণ বড়ো :— মাননীয় অধ্যক্ষ মহোদয়, মই এটা স্পষ্টিকৰণ বিচাৰিছো যে, আমি জনাত ধান ওলোৱাৰ লগে লগেই কৃষক সকলে কম দামত ধান বিক্ৰী কৰিবলগীয়া হয় এই কাৰণেই যে, ধান বিক্ৰী নকৰিলে আমাৰ কৃষক সকলৰ জীৱন নিৰ্ব্বাহ নহয় কিয়নো খেতিয়ক সকলৰ বেছি ভাগৰে দুৰৱস্থাৰ সীমা নাই। তেনে অৱস্থাত আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে, ধানৰ দাম বেছি থকাৰ কাৰণে ধান কিনিব নোৱাৰিলে। সময় মতে যদি ধান কিনাৰ ব্যৱস্থা কৰিব পাৰিলহেতেন তেতিয়াহলে, নিশ্চয় ধান সংগ্ৰহৰ লক্ষ্যত চৰকাৰ উপনীত হব পাৰিলেহেতেন আৰু সেয়ে হলে চৰকাৰে সুলভ মূল্যৰ দোকান বিলাকৰ জৰিয়তে চাউলৰ দাম বেচি থকাৰ সময়ত বাইজক কম দামতে যোগান দিয়াৰ ব্যৱস্থা কৰিব পাৰিলেহেঁতেন। কিন্তু সময়মতে ধান সংগ্ৰহ কৰিব নোৱাৰাৰ কাৰণে চৰকাৰে এই কাম কৰাটো সম্ভৱপৰ নহব। উচ্চ পৰ্য্যায়ৰ কমিটিৰ পৰা জিলা পৰ্য্যায়লৈকে যোৱা নীতি নিৰ্দ্দেষণা ঠিক মতে কাৰ্য্যকৰী নোহোৱাৰ কাৰণে এই অৱস্থাৰ সৃষ্টি হোৱা বুলি মাননীয় মন্ত্ৰী মহোদয়ে নেভাবেনে আৰু চৰকাৰে এই পৰিস্থিতি স্বত্বেও বজাৰত চাউলৰ দুৰ্মূল্যৰ সময়ত ৰাইজক সুলভ মূল্যৰ দোকান বিলাকৰ জৰিয়তে কম দামত চাউল যোগান দিয়াৰ কি ব্যৱস্থা কৰিছে সেইটো মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীতিলক গগৈ ঃ— মাননীয় অধ্যক্ষ মহোদয়, এই কথা বিলাক মাননীয় সদস্য সকলে চৰকাৰৰ দৃষ্টিগোচৰ কৰিছে আৰু বাতৰি কাকত আদিতো এই কথা বিলাক ওলাই গৈছে। ভাৰত চৰকাৰে এটা জাতীয় ধানৰ দাম বান্ধি দিয়ে যাতে আমাৰ খেতিয়ক সকলে তাৰ তলত তেওঁলোকৰ উৎপাদিত ধান বিলাক বিক্ৰী কৰিব লগীয়া নহয়। 'এগ্ৰিকালচাৰ প্ৰাইচ কমিশ্যনে' বান্ধি দিয়া এই ধানৰ মূল্য ঠাই বিশেষে ১৩২ টকাৰ পৰা ১৪০ টকা পৰ্যান্ত আছিল। যি পৰ্য্যায়ত আমাৰ কৃষক সকলৰ সহায় কৰাৰ কথা আছিল সেই পৰ্য্যায়লৈ আমি যাব লগীয়াই নহল।

Hon. Speaker :— Item No. 3. Shri Mohamad Ali to raise.

শ্ৰীমহম্মদ আলি ঃ— মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালন নিয়মাৱলী ৩০১ ধাৰা মতে 'অসমত গ্ৰাম্য বৈদ্যুতিকৰণৰ পৰিকল্পনা বানচাল হবলৈ বাধ্য' এই বিষয়টো উৎথাপন কৰিছো। কাৰণ যিবোৰ গাওঁৰ বৈদ্যুতিকৰণৰ পৰিকল্পনাৰে সামৰা হৈছে সেইবোৰ গাওঁ দেখিবলৈ পাইছো যে ১ বছৰ বা ২ বছৰৰ আগতে বৈদ্যুতিকৰণৰ কাৰণে যিবিলাক লাইটপোষ্ট দিলে সেইবিলাক কিছুমান ৰাষ্টাৰ কাষত পৰি আছে, কিছুমান ভাগি গৈছে আৰু কিছুমান গাৰ্ত্ত ৰাষ্টাৰ দাতিত পুটা হৈছে। কিন্তু তালৈ তাৰ হলে নগল। যত তাৰ আদি লগাইছিল সেইবিলাকত এতিয়া তাঁৰ নাই। সেই সকলোবিলাক তাঁৰেই চুৰি হৈ গৈছে। এইবিলাক দেখি শুনি আমি এই বদ্ধমূল ধাৰণাতে উপনীত হৈছো যে চৰকাৰৰ এই বৈদ্যুতিকৰণ আচঁনি বাঞ্চাল হৈ যাব।

Shri Abdul Muhib Mazumdar :— Mr. Speker, Sir, the Honourable Member has raised a point that

the rural electrification will fail in Assam because of certain factors. The whole matter has been examined by us. In Assam, as you know, Sir, we have got about 22000 villages and we have alteady electrified about 9000 villages. The Honourable Member has also pointed out that there have been theft cases. Of course there are theft cases in certain areas and whenever it comes to our knowledge we bring have to the notice of the police. Though we have been facing some difficulties in implementing this scheme still we have been making good progress in electrifying the rural areas. There are certain theft cases in Goalpara region. Cachar etc. but in all these cases we have informed the police and requested the local people to keep eye on these things. Afterall these are all public propertis. The rural electrification scheme is for the welfare of the village people. So we need publie cooperation in this programme. Unless the people cooperate with us it will be difficult to achieve the targetfixed by us. There are some people who try to steal the articles of our Department. It is not a fact that these things are stolen before the power connection is given. The theft has been there even after the line was charged. In these cases we require public cooperation. We are trying to motivate the people. But I can assure the House we will never fail in our

programme and we will reach our target. Theis year, of course, we may not reach our target but I am sure next year we will certainly reach our target. Theft cases are very few and we will take all necessary action if such theft cases come to our notice. Once again I appeal to all concerned that these are public properties and we need public awareness, cooperation of every citizen in this programme. I repeat nothing will obstruct in our programme and we will reach our target and shall never fail.

Shri Binoy Kumar Basumatari :— Mr. Speaker, Sir, when a village is considered to be electrified the Department draws the line into that village and when the drawing of line is completed it is considered the village is electrified. But the Department never gives importance to the villagers or the consumers. Even if when the villagers of the consumers try to get the line into their houses they do not get. I fail to understand what is Government position to declaring a village electrified to the villages or to the houses.

Shri Abdul Muhib Mazumdar :— Mr. Speaker, Sir, there is some amount of misconception with regard to rural electrification. There are two phases in this programme. In the first phase the Department takes

the line to the village. In the second phase is the Department takes the line to individual houses. The second phase takes a little more time. we are trying take prompt action in the second phase also so that the consumers get the line as soon as possible. But in this case the demond and initiative should be taken by the consumers. REC does not include taking the electric line into the individual houses.

Shri Binoy Kumar Basumatari :— Mr. Speaker, Sir, in that case it does not mean that the village is electrified.

Shri Abdul Muhib Mazumdar :— Mr. Speaker, Sir, I have already explained that the second phase takes a little more time. Our objective is to supply electric light to all the individual houses.

শ্ৰীহিতেশ্বৰ শইকীয়া :— মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ এটা নৰ্মচ আছে যে, কেন্দ্ৰীয় চৰকাৰে এখন গাওঁৰ বৈদ্যুতিকৰণৰ কাৰণে যি টকা দিয়ে সেই টকা খৰচ কৰিবলৈ হলে গাওঁখনে ১.৫ কিলো মিটাৰহে কোভাৰ কৰিব পাৰে। কিন্তু আমাৰ গাওঁবিলাক বহু ডাঙৰ হোৱাৰ কাৰণে এই সূত্ৰ মতে বৈদ্যুতিকৰণৰ কাম কৰাত অসুবিধা হয়। গতিকে আমি আমাৰ নিজস্ব স্কিম হাতত লৈছো।

Shri Binoy Kumar Basumatari :— Mr. Speaker,

Sir, why this could not explained by the Departmental Minister ?

শ্ৰীহিতেশ্বৰ শইকীয়া :— মাননীয় অধ্যক্ষ মহোদয়, তেখেত হৈও কৰিছে মই কেৱল অলপ এডিস্বনহে কৰিছো ।

Shri Md. Umurruddin :— In the process of village/rural electrification the electric line goes through the village. The intention is to electrify every house of the village. But it is the duty of the consumer or individual to requisition the Departmet to electrify his house.

Shri Abdul Mazumdar :— Mr. Speaker, Sir, we take the power line to the village, draw the line near the houses of the villages. The opportunity may be taken by the villagers or they may not take the opportunity. It is the option of the individuals. We cannot force them to take it. But we are trying to motivate the villagers.

Shri Md. Umarruddin :— Mr. Speaker, Sir, that depends on the consumers. It is not compulsory.

Shri Abdul Muhib Mazumdar :— Mr. Speaker, Sir, it not compulsory.

শ্ৰীনেপাল চন্দ্ৰ দাস :- মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ

উ'র মাননীয় সদস্য আলতাফ হোসেন মজুমদার যে ধন্যবাদ সূচক প্রস্তাব উৎথাপন করেছেন। আমি তা সমর্থন করি এবং বিরোধী দলের সদস্য কতর্ক আনীত সংশোধনী প্রস্তাবের বিরোধিতা করে আমার কিছু বক্তব্য তুলে ধরতে চাই।

এই বৎসর রাজ্যপালের ভাষণে গত এক বৎসরের কি কি কাজ এই রাজ্যে সরকার করেছেন এবং আগামী বছর কি কি কাজ সরকার হাতে নিয়েছেন তার একটা স্পষ্ট চিত্র তুলে ধরা হয়েছে। আমাদের সরকার যখন গতবছর ফেব্রুবারী মাসে প্রথম শাসনভার গ্রহণ করে-ছিলেন, আমরা সবাই জানি, এই আসাম রাজ্যে তখন কি রকম ভয়াবহ ছিল। আমাদের সরকার এই ভয়াবহ প্রশাসন'কে এবং বিশৃংখলতাকে সংস্কার করতে এবং প্রায় তিনি লক্ষাধিক নিরাশ্রয় মানুষকে আশ্রয় দিতে সমর্থ হয়েছেনে। অনেক পুত্রহারা, স্বামীহারা নিরাশ্রয় মানুষকে বসবাসের ব্যবস্থা করেছেন। তাদেরে সুষ্ঠভাবে প্রয়োজনীয় খাদ্যবস্তু, ঔষধাদি যোগান ধারিয়েছেন এবং যাদের ঘর বাড়ী বিপর্যস্ত হয়েছিল তাদের ঘর বাড়ীর প্রয়োজনীয় সংস্কার করা হয়েছে। এসব কাজে আমরা, সদস্যগণও সরকারের সঙ্গে সহযোগীতা করেছি যার ফলে অতি অল্প দিনের মধ্যে প্রায় তিনি লক্ষাধিকের উপর মানুষকে স্থায়ী-ভাবে নিজ নিজ যায়গায় পুনর্বাসন করা সম্ভব হয়েছে। প্রায় ১৫ শত ব্রীজ যে ভাবে ধ্বংস করা হয়েছিল সে গুলিকে অতি অল্প সময়ের মধ্যে দক্ষতার সঙ্গে এবং ত্রুটিহীন ভাবে মেরামতি করা হয়েছে। যে কোন দল, যে কোনও রাজ্যের বা যে কোনও দেশের ক্ষমতায় অধিষ্ঠিত থাকুক না কেন সে কখনো সমালোচনার উর্দ্ধে থাকতে পারে না। সব কাজ যে ত্রুটিহীন ভাবে হবে এমন কোনও কথা নয় এবং সব সমস্যাই, দেশের এবং রাজ্যের, সব সমস্যাই যে এক বৎসরে যে কোনও দলের সরকার সমাধান করতে,

পারিবে তাও সম্ভব নয়। তাই সংশোধনী আনতে বা সরকারের সমালোচনা করতে প্রথমে এই কথা ভেবে দেখতে হবে যে গত এক বৎসর এই সরকার রাজ্যে কি কি কাজ করেছেন ইহার একটা পরিসংখ্যান সমালোচনা করার আগে করা দরকার।

প্রথমতঃ দেখতে পাই যে গত ১ বৎসরের মধ্যে বেকার সমস্যা দূর করার জন্য এবং প্রশাসনিক সংস্কারের জন্য ৭ টি পুলিশ ডিষ্ট্রিক্ট স্থাপন করেছেন, ৩৮টি পুলিশ ষ্টেশন, ৩৭টি পুলিশ আউট পোষ্ট, টাস্ক ফোর্স বেটেলিয়ান করেছেন, আসাম পুলিশ রেডিয়ো অর্গেনাইজেশন করেছেন, ৬টা নতুন জেলাও ৮টা নতুন মহকুমা যে হয়েছিল তার কাজও একসঙ্গে আরম্ভ করা হয়েছে। তাছাড়া আমাদের বর্ডারের যে সমস্যা ছিল সেই সমস্যার চিরস্থায়ী একটা সমাধানের ব্যবস্থা করা হচ্ছে। কাটাতারের বেড়া দিয়ে সীমান্তে অনুপ্রবেশ বন্ধ করার কাজ সরকার হাতে নিয়েছে। ব্রহ্মপুত্রের উপর তৃতীয় ব্রীজ স্থাপনের ব্যবস্থা করা হচ্ছে এবং চতুর্থ ব্রীজের জন্য ডিব্রুগড়ে সার্ভে করার জন্য টকা মঞ্জুর করা হয়েছে। এমন আরও বহু কিছু আছে এবং তারমধ্যে বিশেষ বিশেষ গুলির কথাই আমি কেবল বলছি কারণ সমস্ত বলতে গেলে ঘণ্টার পর ঘণ্টা সময় লাগবে।

মহোদয়, বহুদিন ধরে আমাদের মাননীয় সদস্যদের মনে একটা আকাংখা ছিল যে বৃদ্ধদের জন্য যেন পেন্সনের ব্যবস্থা করা হয়। আমাদের বর্তমান মন্ত্রীসভা সেই আকাংখা পূরণ করেছেন। গ্র্যাজুয়েট বেকার ছেলেদের জন্য বেকার ভাতার ব্যবস্থা করেছেন। স্পোর্টস ম্যানদের জন্য পেন্সনের ব্যবস্থা করেছেন। তাছাড়া, আমাদের সরকার একটি বিশেষ ব্যবস্থা নিয়েছেন যে এক্স টি গার্ডেন লেবারদের উন্নতির জন্য একটা আলাদা ডিরেক্টরেট স্থাপন করেছেন। এতে এই শ্রেণীর লোকের সুযোগ সুবিধা এবং নানা ধরণের উন্নয়ন

মূলক কাজ পৃথক ভাবে করা সম্ভব হবে। তাছাড়া, গত তাণ্ডবলীলায় যে সব ছেলে মেয়েরা তাদের মা বাবাকে হারিয়ে আশ্রয়হীন হয়েছিল তাদের জন্য এস এ,স ভিলেজ গঠণ করা হয়েছে। তাছাড়া প্রত্যেক গাওঁ পঞ্চায়েতে অসহায় বিধবাদেরে ভরন পোষণের সাহায্যের জন্য হাঁসের ইউনিট দান করা হয়েছে যাতে তারা ইহার আয়ের দ্বারা সংসার প্রতি-পালন করতে পারে।

উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্রীহেমেন দাস মহাশয় যে সংশোধনী প্রস্তাব এনেছেন তা ১ নং এ আছে। to convert all annual patta land in to periodic patta land with out premium, মহোদয়, উইদাউট প্রিমিয়াম কথাটা বাদ দিলে দেখা যায় আমাদের সরকার সর্বদাই তা করে আসেছে এবং এইসব এলাকায় আগে পাট্টার কোনও ব্যবস্থ ছিল না। বিভাগীয় মন্ত্রী মহোদয় সংশ্লিষ্ট কর্মচারীদের এই ব্যাপারে নির্দেশ দিয়েছেন যে যাদের দীর্ঘ দিন যাবত্ জমির পাট্টা নাই তাদেরে যেন পাট্টা দেওয়া হয়।

২ নং'এ বলেছেন to distribute Text books free of cost to all students upto class viii উপাধ্যক্ষ মহোদয়, প্রত্যেক মাননীয় সদস্য একথা স্বীকার করেন যে যারা গরীব ছেলে তারা যেন বিনা মূল্যে পুস্তক এবং পোষাকাদি পায়। কিন্তু অসুবিধা যা তা হলো টাকার। টাকার ব্যবস্থা হলে নিশ্চয়ই তা সরকার করবেন।

৩ নং' এ বলছেন to supply rice, atta, edible oil, kerosene, sugar, salt, dal of all varieties, tea, cloth for common man regularly in sufficient quantity thro-ugh fair price shops at cheap rate বর্তমানে আমাদের সরকার

চাল, আটা এবং চিনি গ্রামাঞ্চলে কো-অপারেটিভের মাধ্যমে নিয়মিত বিতরন করছেন। আমি সরকারকে অনুরোধ করব যে ভোজ্য তৈলও যেন এই ভাবে দেওয়ার ব্যবস্থা করেন। তাছাড়া মাঝে মাঝে দেখা যায় বাজারে কেরোসিন পাওয়া যায় না এমতাবস্থায় এই সমবায়ের মাধ্যমে গ্রামাঞ্চলে কেরোসিন বিতরন করার ব্যবস্থা করলেও ভাল হয়।

৪ নং' এ বলেছেন to reopen all closed in dustries. মাননীয় সদস্য শ্রীদাস মহাশয় বন্ধ কল কারখানাগুলিকে খোলার ব্যবস্থা করার জন্য বলেছেন। কিন্তু যদি আজ আমরা পশ্চিম বাংলার দিকে তাকাই তাহলে দেখি যে যদিও সেখানে তাঁদের দলের সরকার রয়েছে তবুও সেখানে কিছুদিন পর পর কল কারখানা নায় বড় বড় তালা ঝুলছে। কাজেই সেটা বিবেচনার বিষয়। প্রত্যেক কারখানা খোলা সম্ভব নাও হতে পারে।

মহোদয়, আমাদের সরকার গত এক বতসরের মধ্যে যে সব কাজ করেছেন তার বিশেষ বিশেষ অংশগুলি আমি আর আপনার সম্মুখে তুলে ধরিছি। তারমধ্যে সবচেয়ে উল্লেখযোগ্য কাজ হলো ২০ দফা কার্যসূচীর অন্তর্গত আর এন্ ই ফি পি স্কীম। এই স্কীমের ফলে প্রত্যেক গাওঁ পঞ্চায়েতে ২৫ জন ছেলেকে যাদের কোন জমি নাই, কাজ নাই তাদেরে ১০০ দিনের জন্য কাজ দেওয়ার ব্যবস্থা করা হয়েছে। আর প্রত্যেক গাওঁ পঞ্চায়েতে এই কাজ আরম্ভ হয়ে গেছে।

দ্বিতীয়তঃ এন আর ই পি স্কীমের ফলে যাতায়াতের ব্যাপারে গ্রাম বাসীরা বিশেষ উপকৃত হবেন। কারণ দীর্ঘদিন ধরে রাস্তার অভাবে তারা অন্যান্য অঞ্চল থেকে বিচ্ছিন্ন ছিলেন। তাছাড়া এর ফলে গ্রামের মানুষ জীবিকা অর্জনেরও সুবিধা পাবেন।

এ ছাড়া নতুন একটা স্কীম নেওয়া হয়েছে যার ফলে প্রত্যেক ম্যাট্রিক, আই এ বা বি এ পাশ বেকার ছেলেরা যাতে নিজের পায়ে দাড়াতে পারে তার জন্য আমাদের নেতৃ শ্রীমতি গান্ধী ২৫০০০ টাকার কম্পোজিট লোনের ব্যবস্থা করেছেন।

মহোদয়, নতুন নতুন বহু কাজ আমাদের সরকার এন ই সি'র মাধ্যমে নিয়েছেন। এগুলি আমাদের সরকারের কৃতিত্ব বলতে হবে। এতে আসাম বাসীর বহুদিনের আশা আকাংখা পুরনের ব্যবস্থা করা হয়েছে। প্রত্যেক গ্রাম পঞ্চায়েতে যাতে ছেলেরা খেলার জন্য মাঠ তৈরী করতে পারে তার জন্যও সরকার ব্যবস্থা করেছেন। কারণ মাঠের অভাবে আমাদের ছেলেরা খেলা ধূলার সুযোগ থেকে চিরদিন বঞ্চিত হয়ে এসেছে। বহু প্রতিভা অকালে নষ্ট হতে আমারা দেখেছি। এর ফলে আমাদের খেলা ধুলার জগতে এক বিরাট পরিবর্ত্তন হয়ত আমরা অদূর ভবিষ্যতে দেখতে পারব।

আর একটা নতুন স্কীম হাতে নেওয়া হয়েছে। এই স্কীমের ফলে আমাদের এল পি স্কুলের ছেলেরা মেয়েরা টিফিনের সময় বিনা মূল্যে সরকারের তরফ থেকে খাদ্য পাবে। এই ব্যবস্থার জন্য আমি সরকারকে বিভিনন্দন জানাচ্ছি।

মাননীয় উপাধ্যক্ষ :— আপনি শেষ করুন।

শ্রীনেপাল চন্দ্র দাস :— শেষ করছি স্যার। আর একটা মাত্র কথা বলেই আমি শেষ করছি। সেটা হলো যে শিলচর এবং করিমগঞ্জ জেলার বহু স্বাধীনতা সংগ্রামীদের পেন্সনের কেস এখনো ঝুলন্ত অবস্থায় আছে। আমি মুখ্যমন্ত্রী মহোদয়ের নিকট একটা আব্দার করবো যাতে

অতি সত্বর এই গুলির নিস্পত্তিকরে তাদের পেন্সনের ব্যবস্থা করা হয়

পরিশেষে বলতে চাই যে সব কাজই যে ত্রুটিহীন ভাবে হবে এমন নহে। কজে করলে নিশ্চাই এতে হয়ত কিছুটা ত্রুটি থাকতে পারে। কিন্তু এটা বড় কথা নয়। সুতরাং বিরোধী সদস্য কর্তৃক আনীত প্রস্তাবের বিরোধীতা করে এবং মাননীয় সদস্য আলতাফ হোসেন মজুমদার সাহেব যে ধন্যবাদ সূচক প্রস্তাব এনেছেল তার সমর্থন করে আমি আমার বক্তব্য শেষ করছি।

শ্রীপূর্ণ বড়ো :— উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় সদস্য শ্রীআলটাফ হুছেইন মজুমদাৰে যি ধন্যবাদ সূচক প্রস্তাব উত্থাপন কৰিছে আৰু তাৰ ওপৰত কমৰেড শ্রীহেমেন দাসে যি সংশোধনী প্রস্তাব আনিছে তাৰ সমৰ্থনত মই মোৰ বক্তব্য ৰাখিব বিচাৰিছো। ৰাজ্যপালৰ ভাষণত কোৱা হৈছে যে "আইন শৃংখলাৰ পৰিস্থিতি ব্যপক উন্নতিৰ উপৰিও আগেয়ে অস্থিৰতা বিয়পোৱা কিছুমান শক্তিয়ে প্রণালী বদ্ধ ভাৱে দুৰ্ব্বল কৰি অনা গণতান্ত্রিক প্ৰমূল্যৰ ক্রমাগত পুনৰ প্ৰতিষ্ঠাও এই সময়ছোৱাৰ প্ৰত্যক্ষ কৰা হল।" ইয়াৰ আগতে আইন শৃংখলাৰ ক্ষেত্ৰত কোৱা হৈছে যে আইন শৃংখলাৰ পৰিস্থিতি এতিয়া খুব ভাললৈ আহিছে। কিন্তু সকলোৱে এই কথা স্বীকাৰ কৰিব যে আজিৰ ৰাজনৈতিক হত্যা আৰু সন্ত্ৰাসবাদী কাৰ্য্যকলাপৰ অন্ত হোৱা নাই। চাপৰমুখ বজাৰকে ধৰি ছয়খন বজাৰ জলাই দিয়া হৈছে। তদুপৰি বিভিন্ন ঠাইত যি হত্যা সংঘটিত হৈছে এই বিলাক তাৰ প্রমাণ। বাতৰি কাকতত এই কথা প্রকাশিত হৈছে যে জামুগুৰি হাটৰ বিশ কিলোমিটাৰ দুৰত জয়সিদ্ধি অঞ্চলত এটা পৰিয়ালৰ তিনিজন ব্যক্তিক পুৰি মৰা হৈছে

মাত্ৰ এজনী কম বয়সৰ ছোৱালী বাচিছে যিজনী ছোৱালীয়ে মানসিক ভাৰসাম্য হেৰুৱাই পেলাইছে। এটা বিশেষ সম্প্ৰদায়ৰ এই পৰিয়ালটোৰ ঘৰত জুই জলাই দিয়া হৈছে। দুৱাৰ বান্ধি ভিতৰত আবদ্ধ কৰি ৰাখি ঘৰত জুই জলাই দিয়া হৈছে। তথাপি চাৰিজন বেৰ ফালি ওলাই আহিছিল। কিন্তু এই সক ছোৱালীজনীৰ বাহিৰে বাকী তিনিজনক নিৰ্মমভাৱে সেই জুইত জাপি দিয়া হৈছে। এই ঘটনা ঘটিছে। সেই দৰে নগাঁৱৰ ইটাপাৰা অঞ্চলত তেৰটা পৰিয়ালৰ ঘৰ জলাই দিয়া হৈছে এক তাৰিখে এই খবৰ পোৱা হৈছে। অগ্নি সংযোগৰ ঘটনা চলি আছে, বন্ধ হোৱা নাই।

তদুপৰি আইন শৃংখলাৰ ক্ষেত্ৰত কব লাগিব যে, বিগত নিৰ্ব্বাচন সময়ত অশান্তিত ক্ষতিগ্ৰস্ত অঞ্চলসমূহত পুলিচ পিকেট কিছু প্ৰতিষ্ঠা কৰা হৈছিল। যিবিলাক পুলিচ পিকেট ৰখা হৈছিল সেইবিলাক এতিয়াও উঠাই অনা হোৱা নাই। দীৰ্ঘদিনিয়া আন্দোলনে সৃষ্টি কৰা ভীতি আৰু নিৰাপত্তাৰ অভাব বোধৰ কাৰণে পুলিচ চকী সমূহ তাত ৰখা হৈছে। আজিও এইবিলাক তাৰ পৰা উঠাই অনা সম্ভৱপৰ হোৱা নাই। তেনে অৱস্থাত আইন শৃংখলা ভাল হৈছে বুলি শান্তনা লাভ কৰিব নোৱাৰি। গতিকে আন্দোলনে সৃষ্টি কৰা যি ভীতি মানুহৰ মনত আছে। যেতিয়ালৈকে বাইজে নিৰাপত্তা অনুভৱ কৰিব নোৱাৰে অগ্নিসংযোগ আৰু হত্যা চলিথাকে তেতিয়ালৈকে আইন শৃংখলা পৰিস্থিতিৰ ব্যাপক উন্নতি হৈছে বুলি কব নোৱাৰি। ৰাজ্যপালৰ ভাষণত কোৱা হৈছে যে, আইন শৃংখলাৰ পৰিস্থি যথেষ্ট ভাল হৈছে। কিন্তু আন্দোলনৰ লগত থকা সন্ত্ৰাসবাদী গোষ্ঠিয়ে সোনকালে সংগঠিত হোৱাৰ খবৰ পোৱা গৈছে। নগাৰনৈতে তাক বিচ্ছিন্নতাবাদী সন্ত্ৰ গোষ্ঠী সমূহৰ লগত আন্দোলনকাৰী যোগাযোগ ৰক্ষা কৰি চলি আছে আনহাতে সমগ্ৰ উত্তৰ পূৰ্ব্বঞ্চলৰ মাৰ্কিণ চক্ৰান্ত চলি থকাৰ খবৰ পোৱা হৈছে। এই পৰিস্থিতিত আইন

শৃংখলাৰ পৰিস্থিতি ভাল হৈছে বুলি আমি ধৰি লব নোৱাৰো। আকৌ ৰাজ্যপালৰ ভাষণত কোৱা হৈছে যে, পিচৰ বছৰৰ ভিতৰত ৭ খন নতুন আৰক্ষী জিলা গঠন কৰা হৈছে আৰু ৩৮ খন নতুন আৰক্ষী থানা আৰু ৩৭ টা নতুন আউট-পোষ্টৰ বাবে অনুমোদন দিয়া হৈছে।

উপাধ্যক্ষ মহোদয়, এই আৰক্ষী চকি সমূহৰ সংখ্যা বঢ়াই থকা হৈছে বাবে আইন শৃংখলাৰ পৰিস্থিতি যে ঠিক হৈ যাব সেই কথা কোৱা টান। কাৰণ পুলিচৰ সন্মুখতে অগ্নিসংযোগৰ ঘটনা ঘটিছে, পুলিচৰ সন্মুখতে হত্যা চলি আছে। সাধাৰণতে গ্ৰাম্যঞ্চলত হয় কি? গ্ৰাম্যঞ্চলত আৰক্ষী চকি সমূহ আইন শৃংখলাৰ ৰক্ষাৰ বাবে প্ৰতিষ্ঠা কৰা হয়। সাধাৰণতে গাওঁৰ হোজা মানুহৰ ওপৰত তেওঁলোকে জোৰ জুলুম কৰে তাৰ এটা উদাহৰণ মই দিব বিচাৰিছো। বৰ্ডিয়াৰ ওচৰৰ কয়া থানাৰ অন্তৰ্ভুক্ত ২ নং ধুহি গাৱত ২৮ জন নিৰপৰাধী মানুহক মাৰপিট কৰি যোৱা ২৭ তাৰিখে এৰেষ্ট কৰি লৈ যোৱা হৈছে। ২৬ তাৰিখে সেই থানাৰ অ'চি জন দলে বলে গৈ অপৰাধি দাগী মানুহ ধৰিব নোৱাৰি নিৰপৰাধী মানুহ ধৰি লৈ আহিল।

(ভইচ : এইটো ক্ৰিমিনেল কেচ)

Shri Benoy Kumar Basumatary :— Sir, we can discuss matters pending before the court but we cannot criticise the merits or judgement of such cases.

Mr. Deputy Speaker :— It is better not to discuss cases pending before the court.

শ্ৰীপূৰ্ণ বড়ো :— অধ্যক্ষ মহোদয়, পিচদিনা ৰাতিপুৱাই যধে মধে

কিছুমান ছুখীয় লো'ৰা আৰু কামলাক ধৰি আনিছে। তেনে অৱস্থাত আমি কেনেকৈ আশা ক'ৰব পাৰো যে, বেচি চকি স্থাপন কৰিলে আইন শৃংখলাৰ পৰিস্থিতি উন্নত হব। আমি অভিযোগ পাইছো যে, সেই থানাৰ অ'চি জনে বিয়াৰ বাবে কোনোবাই গহনা আদি বনালেও তাত আহি উপস্থিত হয়হি আৰু প্ৰশ্ন কৰে সোণ কত পালে বুলি। কোনোবাই হয়তো মাক বা পেকৰ ৰাখি থোৱা সোণ ভাঙি বিয়াৰ বাবে গহনা বনাইছে তাতো-সেই অ'চিয়ে ভাগ বিচাৰিছে। এইবাৰ তাস্ক ফোৰ্চৰ চিলেকচন হৈ গল তাতো তেওঁ ৩০ হাজাৰ টকা সংগ্ৰহ কৰিছে। আনহাতে আমি দেখিবলৈ পাইছো যে, কলকাৰখানা সমূহত শ্ৰমিক তেওঁলোকৰ ন্যায় সংগত দাবী দাৱাৰ বাবে আন্দোলন কৰিলে পুলিচে মালিকৰ পক্ষ গ্ৰহণ কৰে। ঠিক সেইদৰে কৃষকক যেতিয়া মাটিগিৰীয়ে উচ্ছেদ কৰিবলৈ লয় তেতিয়া পুলিচে কৃষকৰ সপক্ষে মাটিৰ নামায় মালিকৰ পক্ষ লয়। এইদৰে নিৰপৰাধী কৃষকক উচ্ছেদ কৰাৰ অৰিহনা যোগায়। বেছিসংখ্যাৰ পুলিচৰ চকি স্থাপন কৰিলেই আইন শৃংখলাৰ ভাল হব বুলি কব নোৱাৰি। এই দীৰ্ঘ দিনীয়া আন্দোলনৰ ফলত আমি জানো যে ক্ৰমে ক্ৰমে সাম্প্ৰদায়ীকতাৰ বৃদ্ধি পাইছে। আমাৰ মন্ত্ৰী সকলেও অন্তঃত জাতিৰ মিটিং বিলাকত বেচি বেচি অংশ গ্ৰহণ কৰাৰ ফলত সাম্প্ৰদায়িকতা বৃদ্ধি পাইছে আৰু এই কথা কলে আপোনালোকে বেয়া পায়। সাম্প্ৰদায়িক সম্প্ৰিতী ৰক্ষা কৰিবলৈ কি ব্যৱস্থা গ্ৰহণ কৰিব বিচাৰিছো।

উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত পুনৰবাসনৰ ক্ষেত্ৰত এটা কথা কোৱা হৈছে যে ক্ষতিগ্ৰস্থ লোক সকলক পুনৰ সংস্থাপন দিয়া হৈছে। কিন্তু প্ৰকৃতভে যিসকল ক্ষতিগ্ৰস্থ লোক তেওঁলোকক সকলোকে পুনৰ সংস্থাপনৰ দিয়া হৈ গৈছে বুলি কব নোৱাৰি। কাৰণ গহপুৰত যিসকল মানুহ নিহত হৈছিল, সেইসকলে এতিয়াও এক্স গ্ৰেচিয়া গ্ৰাণ্ট পোৱা

নাই । গোৰেশ্বৰ অঞ্চলৰ বহুতো লোকে এই গ্ৰাণ্ট পোৱা নাই । আনহাতে যিসকল কৃষকৰ পৰিয়ালৰ হালৰ গৰু হেৰুৱালে সেই সকলে এতিয়ালৈকে বহুতো আবেদন নিবেদন কৰাৰ পিচতো গৰু পোৱা নাই। কিছু সংখ্যক মানুহে হালৰ গৰু পাইছে যদিও বেছি সংখ্যকে পোৱা নাই । পুনৰ সংস্থাপনৰ কাম শেষ হোৱা নাই । বাতৰি কাকতত খবৰ ওলাইছে যে, এতিয়াও ৰিলিফ কেম্প বিলাকত ১ হাজাৰ ৫শ ৮৪ টা পৰিয়াল আছে । মই নিজৰ অঞ্চলৰ কথাকে কওঁ । অৱশ্যে বাতৰি-কাকতৰ খবৰ মতে কামৰূপ জিলাত ২টা কেম্পত ৩০ টা পৰিয়াল আছে কিন্তু মোৰ ধাৰণা বেছি হব । অন্ততঃ ২৬ নবেম্বৰৰ পিচত আৰু তাৰ আগতে দাঙ্গি কেম্পৰ পৰা আহি তাত থকা লোক সকলৰ পুনৰ সংস্থাপনৰ ব্যৱস্থা হোৱা নাই । তেওঁলোকৰ বহুতে বেচন আদি পোৱা নাই । তেনেকুৱা পৰিয়াল নগাও, গোৱালপাৰা, লক্ষীমপুৰ, কামৰূপ আৰু দৰঙত আছে । বাতৰি কাকতৰ খবৰত প্ৰতিখন জিলাতে কিমান এনেধৰণৰ পৰিয়াল আছে তাত দিয়া হৈছে । নগাওত তিনিটা কেম্পত ১০০ পৰিয়াল, গোৱালপাৰাত ৩টা কেম্পত ৩৪ টা পৰিয়াল, লক্ষীমপুৰত ১৪টা কেম্পত ১১৭৪টা পৰিয়াল, দৰং জিলাৰ ৫টা কেম্পত ৮০টা পৰিয়াল কামৰূপত ২টা কেম্পত ৩০টা পৰিয়াল থকা বুলি কোৱা হৈছে । তেনেস্থলত আজি পুনৰ সংস্থাপনৰ কাম শেষ হৈ গৈছে বুলি ধৰি লব নোৱাৰি ।

ৰাজ্যপালৰ ভাষণত নতুন ৰাজধানী পতা সম্পৰ্কে কোৱা হৈছে, আধাৰ শিলা স্থাপন হল, বহুকোটি টকা খৰচ কৰি আপোনালোকে স্থায়ী ৰাজধানী নিৰ্মাণ কৰিব । মই স্থায়ী ৰাজধানী পতাৰ বিৰোধী নহয়, কিন্তু এতিয়াই কিয় ? এই যে দুশ কোটি টকা খৰচ কৰা হব এই টকাৰে অন্ততঃ কিছুমান কাৰখানা প্ৰতিষ্ঠা কৰি তাত কিছুসংখ্যক

নিবনুৱা নিয়োগ কৰিব পাৰিলেহেতেন, বহু কাৰখানা ইতিমধ্যেই বন্ধ হৈ গৈছে সেইবিলাক খোলাৰ ব্যৱস্থা কৰিব পাৰিলেহেতেন। আমি স্থায়ী ৰাজধানীৰ বিৰোধী নহয়, কিন্তু আজিয়েই নকৰিলেও হয়। পিচত কৰিলেও হয়। এই মূহূৰ্ত্তত যি সময়ত বহুসংখ্যক শ্ৰমিক কৰ্মহীন হৈছে, দেশত বহু সংখ্যক মানুহেই দাৰিদ্ৰৰ সীমাৰেখাৰ তলত বাস কৰিছে, যি সময়ত দেশত ভয়াবহ নিবনুৱা সমস্যাৰ সৃষ্টি হৈছে যি সময়ত যোগীঘোপাৰ কাগজকল বন্ধ হোৱাৰ ফলত তিনি হাজাৰৰ চাকৰি গৈছে আৰু শিলঘাটৰ মৰাপাট কল বন্ধ হোৱাৰ উপক্ৰম হৈছে, এই কল বন্ধ হোৱাৰ লগে লগেই আৰু এক হাজাৰৰো অধিক লোকে কাম হেৰুৱাব এই অৱস্থাত এতিয়াই এইটো নকৰিলেও হয়। আপোনালোকে কৈছে যে পশ্চিমবঙ্গৰ বাম পন্থী চৰকাৰ থকাটো কাৰখানা বন্ধ হৈছে, বাম পন্থী চৰকাৰৰ হাতত অধিক ক্ষমতা নাই বাবে এই অৱস্থা ঘটিব পাৰে। আমি কৈ আছো যে কেন্দ্ৰত অধিক ক্ষমতা থাকিলে নহব। ৰাজ্য চৰকাৰক অধিক ক্ষমতা দিব লাগিব যাতে এই কাম সমূহ নিয়াৰিকৈ কৰিব পাৰে।

আমি দেখা পাইছোঁ যে গাঁৱে গাঁৱে খাদ্যাভাব, কিন্তু ৰাজ্যপালৰ ভাষণত কোৱা হৈছে 'উৎসাহদায়ক কথা যে আজি কিছু দিনৰ পৰা অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য কিছু হ্ৰাস পোৱা দেখা গৈছে'। নিত্য প্ৰয়োজনীয় বয় বস্তুৰ দাম বাঢ়ি গৈ আছে আৰু গাঁৱে গাঁৱে খাদ্যাভাৱে ইতিমধ্যেই দেখা দিছে। কিন্তু ৰাজ্যপালৰ ভাষণত অত্যাৱশ্যকীয় সামগ্ৰী মূল্য হ্ৰাস পোৱা বুলি কৈছে। কিছুমানে ভাৱে তিনিজন মাৰোৱাৰীক আটক কৰা হৈছে বাবে মূল্য বৃদ্ধি কিছু হ্ৰাস পাইছে। কিন্তু কিমান দিনলৈ? এইটো এটা ক্ষন্তেকীয়া ব্যৱস্থা গতিকে মূল্য বৃদ্ধি ৰোধ কৰাৰ ব্যৱস্থা আপোনালোকে কৰিব পৰা নাই। সমাজতন্ত্ৰৰ ঘোৰ শত্ৰুজনেও এই কথা জানে যে সমাজতান্ত্ৰিক দেশত বহুত

বছৰ ধৰি মূল্য বৃদ্ধি হোৱা নাই। আপোনালোকে ধনতান্ত্রিক ব্যৱস্থা বৰ্ত্তাই ৰাখিব খোজে আৰু এই ব্যৱস্থাৰ সহচৰ হৈছে মূল্য বৃদ্ধি। আজি যি ভয়ঙ্কৰ মূল্য বৃদ্ধি ৰোধ কৰাৰ কাৰণে আপোনালোকৰ নেত্রী শ্রীমতী গান্ধিয়ে কৈছে যে নিয়োগ কাৰ্য্য বন্ধ ৰাখিব লাগে। কিন্তু নিয়োগ বন্ধ ৰাখিলেই যে মূল্য বৃদ্ধি ৰোধ হব সেইটো সম্ভৱ নহয়। মূল্য বৃদ্ধি ৰোধ হব যদিহে শিল্প জাতীয় কৰণ কৰা হয়। আজি আমাৰ যি বৈদেশিক বাণিজ্য আছে, পাইকাৰী ব্যৱসায় আছে তাক জাতীয়কৰণ বা ৰাষ্ট্ৰীয়কৰণ কৰিলেহে মূল্য বৃদ্ধি ৰোধ হব। নিয়োগ বন্ধ ৰাখিলেই মূল্য বৃদ্ধি ৰোধ হব নোৱাৰে। আনহাতেদি কল কাৰখানাসমূহ বন্ধ হোৱাৰ ফলত নিবনুৱা দিন বাঢ়ি গৈছে। কলকাৰখানা সমূহ তলা বন্ধ কৰাৰ কাৰ্য্য বে আইনী ঘোষণা কৰা নাই। উদ্যোগসমূহ চলি থাকিলে কৰ্ম সংস্থান পোৱাৰ ব্যৱস্থা হয় উদ্যোগ সমূহ যদি ক্ৰমে ক্ৰমে বন্ধ হৈ যায় নিবনুৱাৰ সংখ্যা বাঢ়িবহে। হেজাৰ লোক কৰ্মহীন হব আৰু নিয়োগ বিনিময় কেন্দ্ৰত নিবনুৱাৰ সংখ্যা বৃদ্ধি পাব। গতিকে আজি লক আউট আৰু লে অফ বে আইনী বুলি ঘোষণা কৰাটো প্ৰয়োজন আছিল। ৰাজ্য পালৰ ভাষণত এই কথা আমি পোৱা নাই। আজি এই অৱস্থাটো আপোনালোকে চিন্তা কৰি চাওক। আজি ব্ৰডগেজ লাইন, ভোমোৰাগুৰি দলঙৰ কাম আৰু কিছুমান প্ৰজেক্টৰ কাম চলি থকাৰ কাৰণে কিছুমান শ্ৰমিকে কাম পাইছে সচাঁ কিন্তু এই কাম শেষ হোৱাৰ লগে লগে তেওঁলোক পুণৰ নিবনুৱা হৈ ওলাই আহিব। এইদৰে দিনে দিনে বাঢ়ি থকা নিবনুৱা বোৰৰ কাৰণে আপোনালোকে কৰ্ম্মসংস্থানৰ ব্যৱস্থা কৰা উচিত।

শিক্ষাৰ ক্ষেত্ৰত কোৱা হৈছে যে পঞ্চম মান শ্ৰেণীটো প্ৰাথমিক স্কুল আৰু অষ্টমমান শ্ৰেণীটো মাধ্যমিক স্কুললৈ আনি পুণৰ

গঠণ কৰা হৈছে। কিন্তু কথা হল হাইস্কুল পাছ কৰা ছাত্ৰ-ছাত্ৰী সকলে কলেজত চিট নেপায়, এই কথাটো আপোনালোকে চাব লাগে। মেডিকেল কলেজ বা ইঞ্জিনিয়াৰিং কলেজৰ কথা বাদেই। কম্পাৰ্টমেণ্টল পাচ কৰা বহুতো ছাত্ৰই চিট পোৱাটো সম্ভৱেই নহয়। এই অৱস্থাত আজি যি-বিলাক কলেজ বা শিক্ষানুষ্ঠান আছে সেই সমূহৰ বৰ্ত্তমান থকা ঘৰবোৰ বঢ়োৱা প্ৰয়োজন।

মাননীয় উপাধ্যক্ষ :— আপোনাক আৰু পাচঁ মিনিট সময় হে দিছোঁ।

শ্ৰীপূৰ্ণ বৰো :— বেছি সময় মই আৰু নলওঁ। গতিকে গৃহ মঞ্জুৰী দিয়াৰ ব্যৱস্থা ব্যাপক কৰিব লাগে। অৱশ্যে কোনো অনুস্থানে গৃহ মঞ্জুৰীৰ টকা যে পোৱা নাই তেনে নহয়। কিন্তু গৃহ মঞ্জুৰীৰ বাবে দিয়া টকা সেই কামত নখটুৱাই অন্য বেলেগ কাম খটুৱাইছে। সেই বিলাক কথা চৰকাৰে চাব লাগে। যদি তেনে অৱস্থাই চলি থাকে তেতিয়াহলে কলেজ বিলাকত বেছি ঘৰ হব, বেছি লৰা-ছোৱালীয়ে পঢ়িব পাৰিব সেইটো আশা কৰা নাযায়।

উপাধ্যক্ষ মহোদয়, ভূমিসংস্কাৰৰ ক্ষেত্ৰত মোৰ কিছু কবলগীয়া আছে। ভূমিসংস্কাৰৰ ক্ষেত্ৰত সন্তুষ্টি প্ৰকাশ কৰা হৈছে। ভূমি সংস্কাৰৰ কাম কাজ সুচাৰু ৰূপে আগবাঢ়িছে বুলি কোৱা হৈছে। অসমৰ বহুত অঞ্চলত আজিলৈকে জৰিপ হোৱা নাই। ধেমাজি, জোনাই, উত্তৰ লক্ষীমপুৰ, আজুলি আদিত আজিলৈকে জৰিপ হোৱা নাই। আনহাতে চিলিঙৰ উত্বৃত্ত মাটি দিয়াৰ যি ব্যৱস্থা আছে চিলিং আইনত ত্ৰুটী থকাৰ কাৰণে ভূস্বামী সকলে বহুত বেছি পৰিমানে মাটি ৰাখিব পাৰে। চিলিং আইনৰ ত্ৰুটী ৰোধ কৰাৰ কাৰণে কোনো প্ৰস্তাৱ ৰাজ্যপালৰ ভাষণত নাই। চিলিঙ আইনত যি সুৰুঙা আছে তাক ৰোধ কৰা প্ৰয়োজন। আমাৰ

ভূখীয়া কৃষক সকল আজিও উচ্ছেদ হৈ আছে, আধিয়াৰ সকল উচ্ছেদ কৰা হৈ অহিছে। এই সকলক ৰক্ষনা বেক্ষন দিবলৈ কোনো ব্যৱস্থা নাই। অধিয়াৰ উচ্ছেদ বেআইনী বুলি আজিও ঘোষণা কৰা নাই। আনহাতে বছেৰেকীয়া পট্টা দিয়াৰ পৰিবৰ্ত্তে পেৰিয়দিক পট্টা দিয়াৰ ব্যৱস্থা কৰা হোৱা নাই। ম্যাদি পট্টা নথকাৰ বাবে কৃষক সকল উপকৃত হ'ব নোৱাৰে। কাৰণ তেওঁলোকে বেংকৰ পৰা ঋণ লব নোৱাৰে আৰু কেতিয়াবা কেচ আদি হলেও জামিন লব নোৱাৰে। গতিকে আমূল ভূমিসংস্কাৰ কৰা প্ৰয়োজন। মই এইখিনি কথাকে কৈ বিৰোধি দলৰ সদস্য সকলৰ বাবে সময় ৰাখি ক্ৰমঃ হেমেন দাসৰ সংশোধনী প্ৰস্তাবটো সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণী মাৰিলো।

(At 10.43 AM Hon'ble Deputy Speaker vacated and Hon'ble Mr. Speaker occupied the Chair.)

শ্ৰীৰমেশ ফুকন :— মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা বছৰ এই পবিত্ৰ সদনত ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাব সমৰ্থন কৰিবলৈ গৈ মই অসমৰ এখন ভয়াবহ ছবি ডাঙি ধৰিবলৈ বাধ্য হৈছিলো, যিখন আছিল ভয়, সংশয়, ধ্বংশ, হত্যা আদিৰ এখন সূচনীয় প্ৰতিচ্ছবি কিন্তু আজি এক বছৰৰ পিচত এই পবিত্ৰ সদনতে ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱ সমৰ্থন কৰিবলৈ লৈ আমি সেই আগৰ বছৰৰ ভয়াবহ ছবি খন দেখিবলৈ পোৱা নাই। আজি অসমলৈ শান্তি শৃংখলা ঘূৰি আহিছে, পৰস্পৰৰ মনোভাব বুজি পাইছে ঐক্যবদ্ধ ভাবে বিভিন্ন জাতি গোষ্ঠীৰ লোকে অৰ্থনৈতিক আৰু সামাজিক গঠনমূলক কামত আগবাঢ়ি যাব পৰা হৈছে। আমি দেখি সুখী হৈছো যে ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত এই পৰিবৰ্ত্তিত

পৰিস্থিৰ প্ৰতিছবি সুন্দৰ ভাৱে ডাঙি ধৰিছে। সেই কাৰণেই আমি সকলোৱেই ৰাজ্যপাল মহোদয়ক তেখেতৰ ভাষণৰ কাৰণে ধন্যবাদ জনাব লাগিব। আজি সামাজিক জীৱন লৈ স্বাভাবিক পৰিস্থিতি ঘুৰি আহিছে। শান্তি- শৃংখলা ঘুৰি আহিছে, এইটো স্বীকাৰ কৰিবই লাগিব বিদ্যালয়লৈ লৰা ছোৱালী যাবলৈ আৰম্ভ কৰিছে, ছাত্ৰ-ছাত্ৰী পৰীক্ষাত বহিছে। আনকি আন্দোলনৰ উচ্চ পৰ্য্যায়ৰ নেতা সকলৰ কেইজনমানেও পৰীক্ষাত বহি উচ্চ ডিগ্ৰী লবলৈ সক্ষম হৈছে। অৱশ্যে এতিয়াও ঠায়ে ঠায়ে আন্দোলনৰ প্ৰভাৱ একেবাৰেই নাইকীয়া হৈ যোৱা নাই। এই- টো অস্বীকাৰ কৰিব নোৱাৰি। অৱশ্যে আগতে যি ধৰণৰ ব্যাপক ভাৱে আন্দোলন হৈছিল এতিয়া সেইটো নাই। একোখন সমাজত সকলো ধৰণৰ মানুহ থাকে। কোনোবাই বেয়া কাম কৰিলেই সকলো- ৰেই বেয়া কাম কৰিছে বুলি কলে ভুল হব। পশ্চিমবংগৰ মাক্সবাদী চৰকাৰৰ তলতো এনে ধৰণৰ আন্দোলন আদি চলি আছে গতিকে কো- নোবাই কিবা কৰিলেই তাৰ কাৰণে সকলোকে বেয়া বুলি কব পৰা নাযায়। আগতে যি ধৰণৰ ধ্বংশ, হত্যা কাণ্ড হৈছিল সেইটো আজি সকলোৱেই বুজি পাই গৰিহনা দিছে। সেই সকলো বিলাক আজি পাহৰি জনসাধাৰণ গঠন মূলক কামত অংশ গ্ৰহন কৰিবলৈ আগবাঢ়ি আহিছে। আজি আমাৰ কাৰণে এইটোৱেই বিশেষ ভাবে লক্ষনীয় বিষয় হৈছে। আজি সকলো বিষয়া কৰ্মচাৰীয়ে, পুলিচকে ধৰি চৰকাৰৰ লগত সহযোগ কৰিবলৈ আগবাঢ়ি আহিছে। এই সকলে চৰকাৰৰ লগত সহযোগ কৰিছে। যোৱা বছৰ এই সময়ত আমি কৰ্মচাৰী, বিষয়া সকলক আমি সমালোচনা কৰিছিলো। কিন্তু আজি এই সময়ত আমি বিষয়া কৰ্মচাৰী সকলৰ অভিনন্দন জনাব পৰা হৈছো। তেখেত সকলে চৰকাৰৰ লগত সকলো ধৰণেৰে সহযোগীতা আগবঢ়াইছে। তেখেত সকলে সকলো ধৰণেৰে সহযোগীতা আগবঢ়োৱাৰ কাৰণেই আজি

আমাৰ ৰাজ্যলৈ হত্যা ধ্বংশত ঠাইত শান্তি শৃংখলা ঘুৰী আহিছে আৰু তাৰ কাৰণেই চৰকাৰে অৰ্থনৈতিক দিশত আগবাঢ়ি যাবলৈ সক্ষম হৈছে। আমি ইয়াৰ কাৰণে বিবয়া কৰ্মচাৰী সকলৰ ধন্যবাদ জনাবই লাগিব। অবশ্যে ২।১ জনৰ ক্ষেত্ৰত ব্যতিক্ৰম হোৱাত কথা মাননীয় ৰদস্য শ্ৰী পূৰ্ণ বৰো ডাঙৰীয়াই উল্লেখ কৰিছে। ২/১ জন সকলো সমাজতেই ব্যতিক্ৰম থাকিব পাৰে। সেইটোকে জেনেৰেলাইজ কৰি সমালোচনা কৰিলে ভুল হব। কাৰণ এনে কৰিবলৈ গলে নিষ্ঠাবান কৰ্মী সকলে মনত আঘাট পাব। তেখেত সকলে বৰ্ত্তমান ৰাজ্যখনলৈ যি স্বাভাৱিক অৱস্থা ঘুৰাই অনাত সহায় কৰিছে সেই ক্ষেত্ৰত বাধাৰ সৃষ্টি হব পাৰে। গতিকেই ২/১ টা ব্যতিক্ৰমক জেনেৰেলাইজ কৰিলে নিষ্ঠাবান সকলে যি অবিহনা আগবঢ়াইছে সেইটো বাধাপ্ৰাপ্ত হব।

আজি আমি দেখিছো এই চৰকাৰৰ দিনত ৰাইজ আৰু চৰকাৰৰ মাজত যি বিভেদ ঘটিছিল সেইটো ক্ৰমে আঁতৰি গৈছে আৰু ৰাইজে চৰকাৰৰ কাৰ্য্যসূচী বিলাকত যোগদান কৰিছে। নতুন জিলা নতুন মহকুমা গঠন নতুন ৰাজধানীৰ আধাৰ শিলা স্থাপন ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা যি কাৰ্য্যসূচী গ্ৰহন কৰা হৈছিল ৰাইজে তাক আদৰণি জনাইছে। নতুন ৰাজধানী নতুন জিলা, নতুন মহকুমা উদ্বোধনৰ সময়ত যি অনুষ্ঠান আয়োজন কৰা হৈছিল বিবিলাক অনুষ্ঠানত মুখ্যমন্ত্ৰী, মন্ত্ৰী মহোদয়সকল আৰু বিধায়ক সকল উদ্বোধন কৰিবলৈ গৈছিল সেই অনুষ্ঠানৰ প্ৰতিবাদ জনাই আন্দোলনকাৰীসকলে বন্ধ, জনতা সান্ধ্য আইন ঘোষণা কৰিছিল অথচ আমি দেখিছো সেই আহ্বানক উপেক্ষা কৰি মন্ত্ৰী সকলো যোগদান কৰা অনুষ্ঠানত হাজাৰে-হাজাৰে লাখে লাখে আহি ৰাইজে যোগদান কৰিছিল আৰু চৰকাৰ কাৰ্য্যসূচীৰক আদৰণি জনাইছিল। এইটোৱে প্ৰমাণ কৰিছে যে চৰকাৰৰ উন্নয়ন মূলক কাৰ্য্য-

স্চী বিলাক অসমৰ জনসাধাৰণে সফল ৰূপায়নৰ কাৰণে আদৰণি জনাইছে। আমি দেখিছো কুৰিদফীয়া আচনিৰ কাৰ্য্যসূচীৰ আধাৰত এই চৰকাৰৰ এবছৰ সম্পূৰ্ণ হোৱা উপলক্ষে এখন প্ৰদৰ্শনী মুকলি কৰা হৈছিল তেতিয়াও আন্দোলন কাৰী সকলে এই অনুষ্ঠানক বয়ক'ট কৰিব লাগে বুলি আহ্বান জনাইছিল। কিন্তু অধ্যক্ষ মহোদয়, আপুনি যদি আজিৰ জজ খেল পথাৰলৈ যায় তেতিয়া হলে দেখিব হাজাৰ হাজাৰ দৰ্শকে এই প্ৰদৰ্শনী উপভোগ কৰি আছেঁ। ইয়াৰ দ্বাৰাই এইটোকে বুজায় যে চৰকাৰে গ্ৰহণ কৰা কুৰিদফীয়া আঁচনিত পৰ্য্যায়ক্ৰমে ৰূপায়ণ কৰাত ৰাইজে সূক্ষ্মভাবে বুজিবলৈ চেষ্টা কৰিছে। এই কুৰিদফীয়া আঁচনি কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত আমি জনসাধাৰণৰ পৰা অভূতপূৰ্ব্ব সহাৰি পাইছো। তেওঁলোক নিজেও এই আঁচনিত জৰিত হবলৈ অহোপুৰুষাৰ্থ চেষ্টা চলাইছে। পিচপৰা অঞ্চলত পৰ্য্যায়ক্ৰমে কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত এই আঁচনিৰ শুভ লক্ষণ দেখা দিছে। গতিকে আজি চৰকাৰ আজিৰ ৰাইজৰ ধন্যবাদৰ পাত্ৰ। ব্লক উন্নয়ণ সমিতি বিলাক কুৰিদফীয়া আঁচনি ৰূপায়ণত কাৰণে গঠন কৰা হৈছে। কোনোবা ঠাইত হয়তো ইয়াৰ দৃষ্টি হব পাৰে কিন্তু আমি নিজে দেখিছো মোৰ নিজৰ সমষ্টিত এই নতুন কাৰ্য্যসূচীৰ মাজেদি এটা কৰ্ম্মযজ্ঞৰ সূচনা হৈছে। ৰাইজে আজি স্বীকাৰ কৰিছে যে যোৱা আতত্ৰিশ বছৰে কোনো মন্ত্ৰীয়ে কোনো বিধায়ক কোনো গাৱেঁ ভূঞে হাবিৰ বননিয় ঘুৰি ফুৰি যিমান খিনি কৰা নাছিল আজিৰ মন্ত্ৰী বিধায়ক সকলে এই কাৰ্যাসূচী ৰূপায়ণৰ ক্ষেত্ৰত বহুত নিবুহুৰা যুৱকে কৰ্ম্ম সংস্থাপন পাইছে। গতিকে এই কাৰ্য্যসূচীত অংশ গ্ৰহণ কৰিবলৈ আমাৰ ৰাইজ আগবাঢ়ি আহিছে আৰু এই চৰকাৰে নেতৃত্ব দিবলৈ সক্ষম হৈছে সেইটো আমি দৃঢ়ভাবে কম পাৰো। যোৱা এবছৰ কালত এই চৰকাৰৰ অক্লান্ত কৰ্মপ্ৰচেষ্টাৰ ফলত ৰাজ্যখনলৈ স্বাভাৱিক অৱস্থা ঘুৰি আহিছে।

যেৱা উনৈশ নভেম্বৰ তাৰিখে প্ৰধান মন্ত্ৰীৰ জন্ম দিনৰ দিনা ৫ খন জুন সংখ্যা আচনি নতুনকৈ ঘোষণা কৰা হৈছে আৰু তেতিয়াৰে পৰা অতি নিষ্ঠাৰে আমাৰ জনসাধাৰণে ইয়াৰ ফল গ্ৰহন কৰিবলৈ আগবাঢ়ি আহিছে এই কথা অস্বীকাৰ কৰিলে বাস্তৱত অস্বীকাৰ কৰা হব ইতিমধ্যে নতুন ৰাজধানীৰ আধাৰ শিলা স্থাপন, ব্ৰহ্মপুত্ৰৰ ওপৰত তিনিখন দলং আৰু চতুৰ্থ খন দলঙৰ জৰীপ কাৰ্য্য চলি আছে। এই কথা ৰাজ্যপালৰ ভাষণতো উল্লেখ কৰা হৈছে। যাৰ দ্বাৰা অসমৰ পুনৰ ক্ষীপ্ৰভাৱে অগ্ৰগতিৰ পথত নিয়াৰ ব্যৱস্থা হৈছে। আমাৰ মাননীয় সদস্য পূৰ্ণ বড়ো ডাঙৰীয়াই আলোচনাত অংশগ্ৰহণ কৰি কৈছে যে নতুন ৰাজধানীৰ কাম এতিয়াই হাতত নলৈ সেইখিনি টকাৰে উদ্যোগ আদিৰ ক্ষেত্ৰত ব্যয় কৰা হলে নিবুনৱা সমস্যাৰ কিছু সমাধান হলহেতেন মাননীয় সদস্য গৰাকীয়ে নিশ্চয় জানে যে এই টকা কেন্দ্ৰীয় টকা। মোৰ বোধেৰে ৰাজধানীৰ কামকাজত বহু হাজাৰ নিবনুৱাই কাম পাব। নতুন ৰাস্তা ঘৰ আলি পদুলি হব আৰু এখন নতুন চহৰ গঢ়ি উঠিব এই খিনি কৰিবলৈ যাওতে নিশ্চয় হাজাৰ হাজাৰ নিবনুৱাই কৰ্ম্মসংস্থাপন পাব আৰু ঠিক কল-কাৰখা হলেও কল কাৰখনাৰ নিচিনাই এটা উদ্যোগ হব। গতিকে ৰাজধানী নিৰ্ম্মাণৰ কাৰণে যি কাম হাতত লোৱা হৈছে সেইটো উচিতেই হৈছে। মাননীয় সদস্য শ্ৰীপূৰ্ণ বড়ো আৰু শ্ৰীহেমেন দাস ডাঙৰীয়াই সাম্প্ৰদায়িক অনুষ্ঠান বিলাকত মন্ত্ৰীসকল যোৱাতো উচিত নহয় বুলি কৈছে। কিন্তু সাম্প্ৰদায়িক অনুষ্ঠান বুলি বা সেই অনুষ্ঠানত যোগদান কৰাতো অপৰাধ বুলি আমি নাভাবো। নগাওঁ জিলা ট্ৰাইবেল সংঘৰ অধিবেশন হৈছিল। তাত এখন বিৰাট ডাঙৰ ৰাজহুৱা সভা পাতিছিল। আমাৰ শিক্ষামন্ত্ৰী শ্ৰীশৰ্ম্মা ডাঙৰীয়া আৰু কৃষি উপমন্ত্ৰী শ্ৰীলক্ষীপ্ৰসাদ হাজৰিকা ডাঙৰীয়াক জনজাতীয় ৰাইজে তেওঁলোকৰ নিজা সংস্কৃতিক বৈশিষ্ঠৰে সমদল কৰি তুই ফাল জোৰা

ৰাস্তা সভা স্থগীলৈ অ দৰি লৈ গৈছিল, আমাৰ মাননীয় সদস্য শ্ৰীবিনয় বসুমতাৰী ডাঙৰীয়াই কৈছে যে জনজাতীয় সকলৰ কাৰণে চৰকাৰে একোকে কৰা নাই। নগাওঁ জিলাৰ কঠিয়াতলীত বহা ট্ৰাইবেল অধিবেশনত আমাৰ নেতা সকল যোৱা কাৰণে তাত, বিৰোধী পক্ষৰ জনজাতীয় নেতাও গৈছিল, তেওঁ গৈ কলে যে যিহেতু আমাকো মাতিছে গতিকে তেওঁ অভ্যৰ্থনা সমিতিক জনালে যে তাত থাকিব নোৱাৰে। তেওঁ জনজাতীয় সকলৰ নেতা। অভ্যথনা সমিতিৰ পৰা তেওঁৰ কথা নামানি আমাকে ৰাখি তেওঁক ওভোতাই পঠিয়ালে। ইয়াৰ দ্বাৰা এইটোকে বুজি পাইছো যে জনজাতীয় নেতা হলেই জনজাতীয় সকলৰ কাৰণে কাম নকৰে বা কৰিব নোৱাৰে।

Shri Benoy Kumar BaSumatari :— Mr. Speaker Sir, I wish to remind the Hon'ble Member that it was the 'Bodos' of Udalguri who gave the Chief Minister the first werm reception.

Shri Ramesh Phookan :— Sir, I am speaking about a matter of my district where the tribal people have rejected the Janata leaders and welcomed our partymen.

শ্ৰীৰমেশ ফুকন :— মই এই কথাই কব খুজিছো যে জনজাতীয় ৰাইজে অকল জনজাতীৰ নেতাকে নেতা বুলি নাভাবে। অন্যান্য নেতৃবৃন্দকো নেতা বুলি স্বীকাৰ কৰিছে। বৰ্ত্তমানৰ চৰকাৰে জনজাতীৰ কল্যাণৰ কাৰণে নতুন কাৰ্য্যসূচী গ্ৰহণ কৰিছে আৰু তাক ৰূপায়ণো কৰিছে। নগাওঁ জিলাৰ কপিলি মৌজাত জনজাতীয় ৰাইজৰ কাৰণে কুৰিদফীয়া কাৰ্য্যসূচীৰ

যোগেদি প্ৰতিটো পৰ্য্যায়তে ৰাস্তা ঘাট নিৰ্ম্মাণকে আৰম্ভ কৰি ফিচাৰিধেৰকে যথেষ্ট খিনি কৰা হৈছে আৰু তেওঁলোকেও আগ্ৰহেৰে এই কাৰ্য্যসূচী গ্ৰহণ কৰিছে আৰু নিজকে কাৰ্য্যসূচীৰ লগত জৰিত কৰি লৈছে। মই আগতে কৈছো যে জনজাতীৰ নেতাক যেদি পঠিয়াইও আমাৰ শিক্ষা মন্ত্ৰীক সভাৰ মাজলৈ আদৰি লৈ গৈছিল। প্ৰধান মন্ত্ৰী যেতিয়া নগাওঁলৈ গৈছিল, নগাওঁৰ জুৰিলী পথাৰত যি সংস্কৃতিৰ দলে তেওঁক আদৰণি জনাইছিল তাৰ বেছি ভাগেই জনজাতীয় বাইজ আছিল। তেওঁলোকৰ ফালৰ পৰা নিজৰ কৃষ্টি বেই আদৰণি জনাইছিল।

Shri Benoy Kumar Basumatary :— Sir, it is not the tribal policy to oppose the Govt. Our policy is to cooperate with the Govt.

শ্ৰীৰমেশ ফুকন :— আমি কোৱা নাই যে জনজাতী সকলৰ সমস্যা সমাধান হৈ গ'ল। মাননীয় সদস্য শ্ৰীবিনয় বসুমতাৰী ডাঙৰীয়াই কৈছে যে জনজাতিৰ কাৰণে আমি একো কৰা নাই। মই তাৰেহে উত্তৰ স্বৰূপে কৈছো। বৰ্ত্তমানৰ চৰকাৰে অন্যান্য পিচপৰা লোকসকলৰ কাৰণে শতকৰা পোন্ধৰ ভাগ চাকৰি সংৰক্ষিত কৰিছে। অসম খনত সত্তৰ ভাগেই অন্যান্য পিচপৰা শ্ৰেণীৰ লোক। আমাৰ দাবী বেছিয়েই আছিল। তথাপি বহুদিনৰ পিচত এই শতকৰা পোন্ধৰ ভাগ চাকৰি সংৰক্ষিত কৰা কাৰণে মই অন্যান্য পিচপৰা সংগঠনৰ তৰফৰ পৰা এই চৰকাৰলৈ ধন্যবাদ জনাইছো।

অধ্যক্ষ মহোদয়, মই আমাৰ চৰকাৰক এটা কথাৰ কাৰণে ধন্যবাদ দিবলৈ বাধ্য হৈছো যে ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যবোৰ অভাৱ ড্ৰাফ্ট সংকটত ভুগি থকা অৱস্থাত আমাৰ চৰকাৰে তেনে সংকটৰ পৰা

মুক্ত হব পাৰিছে। আজি সাম্যবাদী বুলি দাবী কৰা পশ্চিমবঙ্গৰ নিচিনা ৰাজ্যও এই সংকটৰ পৰা মুক্ত হব পৰা নাই। এই ক্ষেত্ৰত আমাৰ চৰকাৰৰ দক্ষতা আৰু বিশেষকৈ আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ কৃতিত্বৰ কাৰণেই আমি এই বোজাৰ পৰা মুক্ত হব পাৰিছো। সেই কাৰণে মই আমাৰ যি সকল বিৰোধী সদস্য আছে তেওঁলোকক অনুৰোধ কৰিব বিচাৰিছো যে বৰ্ত্তমান চৰকাৰে যি কৌশল অৱলম্বন কৰি ৰাজ্য খনক অৰ্থনৈতিক ক্ষেত্ৰত আগবঢ়াই নিবলৈ ওলাইছে সেইবোৰ কাৰ্য্যত তেওঁলোকেও সম্পূৰ্ণ সহযোগ আগবঢ়োৱা উচিত। বিৰোধী দলৰ সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই সেইদিনা কৈছে যে ৰাজ্যপালৰ ভাষণত বিদেশী নাগৰিক বহিস্কৰণ বা বিদেশী নাগৰিকৰ সমস্যা সমাধানৰ কথা উল্লেখ কৰা হোৱা নাই। কিন্তু ৰাজ্যপালৰ ভাষণত ২নং পৃষ্ঠাতেই ইয়াক স্পষ্টভাবে উল্লেখ কৰা হৈছে। আৰু ইয়াক কেনেকৈ সমাধান কৰি আমি আমাৰ কাৰ্য্য পন্থাত আগবাঢ়ি যাব পাৰিম তাক উল্লেখ কৰা হৈছে। গতিকে বিৰুধী পক্ষৰ সদস্য সকলে বিৰোধী মনোভাৱ ত্যাগ কৰি ৰাজ্যখনৰ উন্নতিৰ কাৰণে কাম কৰিলেহে আমি সফলতা অৰ্জণ কৰিব পাৰিম। এইখিনিতে মই এটা কথা উল্লেখ নকৰি নোৱাৰিলো যে আমাৰ কংগ্ৰেছী মন্ত্ৰীয়েই হওক বা এম, এল, এই হওক কোনো সাম্প্ৰদায়িক গোষ্ঠীৰ লগত হাত মিলোৱা নাই। কিন্তু আমি লক্ষ্য কৰিছো আমাৰ বিৰোধী সদস্য সকল কেইবাটাও সাম্প্ৰদায়িক গোষ্ঠীৰ লগত সনা-পোটোকা কৰা দেখা যায়। গতিকে এনেবোৰ কাৰ্য্যক আমি প্ৰশ্ৰয় দিয়া উচিত নহব।

অধ্যক্ষ মহোদয়, ৰাজ্য পালৰভাষণত যোগাযোগ ব্যৱস্থাৰ কথা উল্লেখ কৰা হৈছে - সেইটো হৈছে, গুৱাহাটীৰ পৰা ডিব্ৰুগড়লৈ সকলো প্ৰধান চহৰকে চুই যাব পৰাকৈ ব্ৰডগজ ৰেল লাইনৰ সম্প্ৰসাৰণ কৰা। এই বিষয়ে আমি আগতেও বহুতো শ্লোগান দিলো। কিন্তু এতিয়াহে

ইয়াক আমি কাৰ্য্যক্ষেত্ৰত পৰিনত কৰিবলৈ পাৰিম বুলি মনে ধৰিছে। আমাৰ চৰকাৰে যি নীতি অৱলম্বন কৰিছে তাৰ পৰা এইটো বুজিব পৰা হৈছে যে এই সম্প্ৰসাৰণৰ কামো অতি কম দিনৰ ভিতৰতে কৰিব পৰা হব আৰু তাৰ বাবে আমাৰ ৰাজ্যপাল ধন্যবাদৰ পাত্ৰ।

আমাৰ কেইবাজনো মাননীয় সদস্যই পৰিবহনৰ ওপৰত আলোচনা আগবঢ়াইছে। অৱশ্যে তেওঁলোকৰ লগতে ময়ো এটা কথা কও যে আমাৰ বহুতো ভিতৰুৱা ঠাইত যাতায়তৰ বৰ অসুবিধা। সেইকাৰণে আমাৰ ৰাজ্যিক পৰিবহন ব্যৱস্থাৰ আৰু সম্প্ৰসাৰণ ঘটাব লাগে আৰু সকলো ঠাইলৈ যাতায়তৰ সুব্যৱস্থা আগ বঢ়াব লাগে।

অধ্যক্ষ মহোদয়, এইখিনিতে মই পৰিবহনৰ লগতে আমাৰ পৰ্য্যটন বিভাগৰো দুষাৰ মান কথা কবলৈ আগবাঢ়িলো। আমি যদি দিল্লীৰ পৰা আগ্ৰালৈ য'ও বা পঞ্জাব, হিমাচললৈ যাও তেতিয়াহলে দেখিবলৈ পাও যে ৰাষ্ট্ৰীয় পথৰ কাষত মাজে মাজে পৰ্য্যটন বিভাগে কিছুমান পৰ্য্যটন নিবাস স্থাপন কৰিছে। সেইবোৰ ইমান মনোমোহা কৰি ৰাখিছে যে গাড়ীৰে গৈ থাকি ভাগৰ লাগিলে তাত যদি অলপ বিশ্ৰাম লোৱা হয় তেনেহলে সচাকৈয়ে বৰ ভাললাগে। গতিকে মই আমাৰ পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ক এইটো অনুৰোধ জনাও আমাৰ অসমতে এনে পৰ্য্যটন নিবাস গঢ়ি তোলাৰ বহুতো সুবিধা আছে-যেনে ৰহাৰ ওচৰত জোঙাল বলহুত এটা, সেইদৰে কাজিৰঙাত ডিব্ৰুগড়, শদিয়া আদি ঠাইত এনে ধৰণৰ পৰ্য্যটন নিবাস গঢ়ি তুলিব পাৰিলে আমাৰ ৰাজ্যৰ লগতে বাহিৰৰ পৰা অহা পৰ্য্যটক সকলো আকৃষ্ট হব। মই মোৰ ভাষণ আৰু দীঘলীয়া কৰিব বিচৰা নাই। আমাৰ সন্মুখত যিবোৰ কাৰ্য্যসূচী পৰি আছে সেইবোৰ কেনেকৈ ৰূপায়ন কৰিব পাৰি আৰু তাৰে স্পষ্ট প্ৰতিচ্ছবি মাননীয় ৰাজ্যপালে ডাঙি ধৰিবলৈ সক্ষম-

হোৱাৰ কাৰণে ৰাজ্যপাল ডাঙৰীয়া ধন্যবাদৰ পাত্ৰ। ইয়াকে কৈ মোৰ ভাষণৰ সামৰণি মাৰিলোঁ।

*শ্ৰীহেম প্ৰকাশ নাৰায়ন :— মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণ সমৰ্থণ কৰি ময়ো মোৰ বক্তৃতা ডাঙি ধৰিবলৈ প্ৰয়াস কৰিছো। ইতিমধ্যে আমাৰ কেইবাজনো মাননীয় সদস্যই ৰাজ্যপালৰ ভাষণৰ ওপৰত আলোচনা কৰিছে সেইকাৰণে মই বেচি কথা কবলৈ নাযাও, মই মাত্ৰ দুটা কথাহে কব খুজিছো। প্ৰথমটো হল—যোৱা বছৰৰ আগচোৱাত আমাৰ অসমৰ ওপৰেদি যি অনিশ্চয়তা আৰু হতাশাৰ কলা ভাৱৰ অসমৰ জন জীৱনৰ ওপৰত পৰিছিল তাৰ পিচতেই এই চৰকাৰ গঠন হোৱাৰ এবছৰৰ ভিতৰতে সেইবোৰ আঁতৰাই পুনৰ আন্তৰিকতা আৰু মিলা প্ৰীতিৰ ভাৱ ঘুৰাই অনাৰ বাবে এই চৰকাৰক ধন্যবাদ দিব লাগিব। দ্বিতীয়তে—যোৱা বছৰটোত এই অলপ আহুকালৰ ভিতৰতে আমাৰ চৰকাৰে যিখিনি অৰ্থনৈতিক উন্নতিৰ ক্ষেত্ৰত অসম খনক আগবঢ়াই নিবলৈ সক্ষম হৈছে আৰু ৰাজ্যপালৰ ভাষণত আমাৰ ৰাজ্য খনৰ কাৰণে ভৱিষ্যতে যিখিনি কাম কৰিবলৈ উল্লেখ কৰিছে তাৰ পৰা মই এটা কথাই কম যে এই আচনিবোৰত কৃতকাৰ্য্যতাই অসমৰ সকলো জনগোষ্ঠীৰ মাজত সপ্ৰীতি আৰু দৃঢ়তৰ কৰি তুলিব আৰু অসমখনক আৰু চহকী কৰি তুলিব। অসমত বাস কৰা সকলো জনগোষ্ঠীৰ প্ৰতি থকা আন্তৰিকতা আৰু দায়বদ্ধতা এই সকলোবোৰ ৰাজ্যপালৰ ভাষণত যি দৰে ফুটি উঠিছে সেই বাবেই মই ভাষনৰ কেইটামান দিশৰ কাৰণে আমি গৌৰৱ কৰিব পাৰোঁ। লগতে তেখেতকো ধন্যবাদ জনাইছোঁ। মই তাৰ সকলোখিনি কথা নকওঁ মাত্ৰ কেইটা-

*Speech not Corrected

মান কথা কৈ মোৰ সাধাৰণ মন্তব্য দাঙি ধৰিম। প্ৰথমতে মই কৈছোঁ সামাজিক ন্যায় বিচাৰৰ কথা। বৰ দুখেৰে সৈতে উল্লেখ কৰিছোঁ যে স্বাধীনতাৰ ৩৫ বছৰৰ পিচতো সামাজিক ন্যায় বিচাৰৰ কাৰণে এখন গনতান্ত্ৰিক ৰাষ্ট্ৰত বিশেষকৈ সমাজৰ যি সকল দুৰ্ব্বল শ্ৰেণীৰ লোক, যত অনুসূচীত জাতি আৰু জনজাতিৰ লোকে বসবাস কৰে তেওঁলোক সকলো কালৰ পৰা বঞ্চিত। চাহ বাগানৰ প্ৰাক্তন শ্ৰমিক সকল আৰু সমাজৰ দুৰ্ব্বল শ্ৰেণীৰ লোক সকলৰ ক্ষেত্ৰত এই সামাজিক ন্যায় বিচাৰ কৰা আজিলৈকে দেখা নাই। অসমৰ বিভিন্ন ঠাইত মই নিজে দেখিছোঁ এটা পি, ডব্লিউ, ডিৰ ৰাষ্টা গৈ আছে বিজুলীতাৰৰ খুটা গৈ আছে কিন্তু যত এই অনুসূচীত জাতি বা জনজাতি সকলে বাস কৰি আছে সেই ঠাইলৈ গৈ কাম বন্ধ হৈ পৰিছে। এটা শিলগুটিও পৰা নাই। বিজুলী তাৰৰ খুটাও আগবঢ়া নাই। অন্যান্য স্কুল আদিৰ কথাই নাই, চিলিং আইনৰ মাটিৰ ক্ষেত্ৰতো দেখিছো মাটিহীন মানুহে মাটি পোৱা নাই। যি বিলাক মানুহ আৰ্থিক ভাৱে দুৰ্ব্বল শতকৰা ৯৫ ভাগ মানুহ খেতিয়ক সেই সকলৰ মাটি নাই। এতিয়া চৰকাৰে সেই সকলৰ কাৰণে অনুভৱ কৰিছে আৰু ব্যৱস্থাও লৈছে কিন্তু মাটি এতিয়ালৈকে তেওঁলোকৰ হাতত পৰাগৈ নাই। তেখেত সকলৰ যদি দুই এজন লৰা ছোৱালীয়ে শিক্ষা দীক্ষা লাভ কৰিছে তেওঁলোকেও যোগ্যতা অনুযায়ী চাকৰি আদি পোৱা নাই। বেংকৰ পৰাও সাহায্য নাপায় নিজে কিবা এটা কৰিব বিচা-ৰিলেও। ন্যায় বিচাৰ ক্ষেত্ৰত এইবোৰ আমি দেখিছোঁ। চাহবাগানৰ শ্ৰমিক সকল শতকৰা ৭৫ ভাগেই মাটিহীন। বাগানৰ চিলিং আইনৰ ৰাহি মাটিত তেওঁলোক বহি আছে কিন্তু চৰকাৰে তেওঁলোকক সেই মাটি নিগাজী কৰি দিয়া নাই। কিছুমান দিছে যদিও এনে অৱস্থা হৈছে যে যত খেতিৰ মাটি দিছে তাত খেতি নহয়, ঘৰৰ মাটি যত দিছে তাত বসবাস কৰাৰ উপযোগী নহয়। আকৌ কিছুমান ঠাইত

এনেকুৱা হৈছে যে মাটি যত দিছে তাতৈ যোৱাৰ কোনো উপায় নাই, কোনো সংযোগ পথ নাই। তেওঁলোকৰ পানী খাবৰ কাৰণে এটা দমকল নাই, বস্তু বাহানি কিনিবলৈ বজাৰ এখন নাই আৰু ল'ৰাছোৱালীয়ে পঢ়িবলৈ স্কুল এখনো নাই। গতিকে মই অনুৰোধ কৰিছো সামাজিক ন্যায়ৰ ক্ষেত্ৰত গনতান্ত্ৰিক দেশ এখনত সেই সকল মানুহৰ নিম্নতম চাহিদা খিনি দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিবই লাগিব। আমাৰ চৰকাৰে দায়িত্ব ভাৰ লোৱাৰ পিচত প্ৰশাসনক জনসাধাৰনৰ ওচৰলৈ চপাই নিবৰ চেষ্টা কৰা হৈছে। সেয়ে যোৱা বিধান সভাতে কিছুমান নতুন জিলা আৰু মহকুমা গঠন কৰা হল। প্ৰশাসনক জনসাধাৰণৰ ওচৰলৈ নিব পাৰিলেহে তেওঁলোকে ইয়াৰ সোৱাদ আৰু সুবিধা আদি পাব পাৰিব। কিন্তু দেখা গৈছে যে প্ৰশাসনক যিমানেই মানুহৰ ওচৰ চপাই নিবলৈ চেষ্টা কৰা হৈছে সামাজিক দায়বদ্ধতাৰ কাৰণেই সিমানেই সি জনসাধাৰণৰ পৰা আতৰি গৈছে। সমাজৰ দুৰ্ব্বল শ্ৰেণী মানুহৰ কাৰণে প্ৰশাসনযন্ত্ৰই সদায়ে অৱহেলা আৰু অনাদৰ কৰি আহিছে। আনকি তেওঁলোক নিজে আৰ্জি লোৱা মাটি-সম্পত্তিৰ পৰাও কেতিয়াবা বঞ্চিতহে কৰিছে। মই অনুৰোধ কৰিছো চৰকাৰে ঐকান্তিকতাৰে আৰু আন্তৰিকতাৰে সেইতে সমাজৰ সকলো গোষ্ঠীৰ, সকলো সম্প্ৰদায়ৰ মানুহকে অন্ততঃ জীয়াই থকাৰ নিম্নতম চাহিদা খিনি দিয়াৰ ব্যৱস্থা লব। আৰু প্ৰশাসন যন্ত্ৰটোৰেও যুগে যুগে লাঞ্চিত, বঞ্চিত অৱহেলিত হৈ থকা মানুহ খিনিক সহায় কৰে।

বিৰোধী দলৰ সদস্য সকলৰ লগত মই একমত এই ক্ষেত্ৰত যে অকল চাকৰি দিয়ে নিবনুৱা সমস্যা সমাধান কৰিব নোৱাৰি। পৃথিৱীৰ কোনো ৰাষ্ট্ৰই চাকৰি দি নিবনুৱা সমস্যা সমাধান কৰিব পৰা নাই অসমত নিবনুৱা সমস্যা বাঢ়ি যোৱাৰ মুলতে দোষী হৈছে প্ৰশাসন ব্যৱস্থা,

চাকৰিমুখী শিক্ষা ব্যৱস্থা। আমাৰ ধাৰণা আছে যে চাকৰি নথকা মানুহৰ জীৱনৰ কোনো মূল্য নাই। নগৰত এটা ঘৰ আৰু জীয়াই থকাৰ মানদন্দ উন্নত কৰিব নোৱাৰিলে যেন তেওঁৰ শিক্ষা দীক্ষা আদিৰ একো মূল্য নাই তেনে এটা ধাৰনা আমাৰ হৈছে। সেয়ে এই শ্ৰমিক সকলক আমি ঘিন কৰিব শিকিছোঁ। সেয়ে এই সমাজমুখী, চাকৰি মুখী শিক্ষা ব্যৱস্থাই আমাক শ্ৰমিক মৰ্য্যদা দিবলৈ আৰু শ্ৰম বিমুখ হবলৈ শিকাইছে। শ্ৰমিকক আমি ২য় বা ৩য় শ্ৰেণীৰ নাগৰিক হিচাপে চাবলৈ শিকিছো। এইটো আমি সলনি কৰিব লাগিব। এটা সামাজিক পৰিবৰ্ত্তন কৰি এই বিলাক বদলি কৰাৰ সময় আহিছে। তেতিয়াহে গ্ৰেজুৱেট সকলেও সৰু কাম কৰিবলৈ লাজ নকৰিব আৰু সকলোৱে শ্ৰমক মৰ্য্যদা দিবলৈ শিকিব। তেতিয়াহে নিবনুৱাসমস্যা কিছু সমাধান হব বুলি আশা কৰিব পাৰি।

মাননীয় সদস্য বৰা ডাঙৰীয়াই কৈছে যে কলেজৰ আসন বঢ়াবলাগে কাৰণ লৰা ছোৱালীয়ে আসন পোৱা নাই। কিন্তু মই কওঁ আসন বঢ়াব নালাগে, পাঠ্যক্ৰমৰ ধাৰাহে সলনি কৰিব লাগে। কিছুমান নম্বৰ পাই ডিগ্ৰী এটা ললেই লৰা-ছোৱালীয়ে দেশৰ একো কাম কৰিব নোৱাৰে। গতিকে শিক্ষাৰ মাধ্যম সলনি কৰিব লাগিব। কলেজৰ শিক্ষা চাকৰিমুখী শিক্ষা। ইয়াৰ দ্বাৰা নিবনুৱা সমস্যা সমাধান নহয়। তেওঁলোকৰ, শাৰিৰীক, মানসিক উৎকৰ্ষসাধন কৰিব লাগিব। অন্য এটা দিশলৈ তেওঁলোকৰ মন আগুৱাই দিব লাগিব। শিক্ষা ব্যৱস্থাৰ আমুল পৰিবৰ্ত্তন কৰিব লাগিব। তাৰ কাৰণে প্ৰয়োজন হলে সকলো মিলি শিক্ষাৰ মাধ্যম সলনি কৰক। অকল নিজৰ প্ৰাপ্যখিনি বিচাৰিলেই নহয়, এই গণতান্ত্ৰিক দেশখনত কাৰ কি কৰ্ত্তব্য আছে সেইটোও নিৰ্দ্ধাৰণ কৰি দিবলৈ মই আমাৰ শিক্ষা বিভাগক অনুৰোধ জনাইছো।

তাৰ পিছত শিল্পৰ ক্ষেত্ৰত এই ৰাজ্যখনৰ অনগ্ৰসৰতাৰ ক্ষেত্ৰত ইয়াকে উনুকিয়াই অহা হৈছিল যে, ৰাজ্যখনৰ ভৌগোলিক অৱস্থা, যোগাযোগৰ অসুবিধা আৰু যোগ্যতা সম্পন্ন মানুহৰ অভাৱৰ কথাকে আঙুলিয়াই অহা হৈছিল। কিন্তু ৰাজ্যপালৰ ভাষণত যিখিনি ব্যৱস্থাৰ কথা উল্লেখ কৰিছে সেইখিনিৰ কাৰণে আমি অতিশয় সন্তোষ প্ৰকাশ কৰিছো। ইতিমধ্যে যোৱা ১০ বছৰৰ ভিতৰত পাবলিক চেক্টৰত বিশেষকৈ যি কেইটা উদ্যোগ প্ৰতিষ্ঠা হৈছে সেই কেইটাৰ প্ৰায় কেইটাই আজি বন্ধ হৈ যাবৰ উপক্ৰম হৈছে। এইখিনি হোৱাৰ এক মাত্ৰ কাৰণ হৈছে এই উদ্যোগ সমূহৰ মেনেজমেণ্টৰ যিটো মৌলিক গাঠনি সেইটো দুৰ্ব্বল হৈ পৰিছে। সিদিনা মৰাপাট কলৰ সন্দৰ্ভতো যথেষ্ঠ খিনি আলোচনা বিলোচনা আদি হৈ গৈছে। বস্তুতো কেইজন মাননীয় সদস্যই চাকৰি বাকৰিৰ সুযোগ সুবিধা দিয়াৰ কথা কৈছে। চাকৰি আদিৰ ব্যৱস্থা কৰাত আমিও একমত কিন্তু সেই বুলি চাকৰিৰ খাতিৰতে কোটি কোটি টকা হানি কৰাৰ পক্ষপাতী আমি কেতিয়াও হব নোৱাৰো।

শ্ৰীপূৰ্ণ বড়ো :— এই খিনিও চৰকাৰেই কৰিব লাগিব।

শ্ৰীহেমপ্ৰকাশ নাৰায়ণ — মাননীয় অধ্যক্ষ মহোদয়, যি বিলাক অনুষ্ঠান প্ৰতিষ্ঠান আদি বন্ধ হৈ গৈছে বা বন্ধ হোৱাৰ উপক্ৰম হৈছে সেই কেইটাৰ বন্ধ হোৱাৰ আচল কাৰণ সমূহ মৌলিক গাঠনিৰ দুৰ্ব্বলতাৰ ভিতৰতে সোমাই আছে। সেই দুৰ্ব্বলতা খিনি দূৰ কৰিবলৈ আমি চেষ্টাকৰিব লাগিব। 'পাবলিক চেক্টৰত' প্ৰতিষ্ঠিত অনুষ্ঠান বিলাক যাতে বন্ধ হৈ যাব লগীয়া নহয় তাৰ কাৰণে আমি সংশ্লিষ্ট কৰ্তৃপক্ষকে জগৰীয়া কৰিব লাগিব তেওঁলোককে দায়বদ্ধ কৰিব লাগিব। সেয়ে নহলে কোনো অনুষ্ঠান টিকি থাকিব নোৱাৰে। ৰাজ্যখনৰ শিল্পায়ণৰ লগত জড়িত অয়ন এটা অন্তৰায়ৰ যোগাযোগৰ ক্ষেত্ৰত আমাৰ চৰকাৰে

অতি কম বয়সৰ ভিতৰতে যিখিনি অগ্ৰগতি লাভ কৰিলে তাৰ কাৰণে আমি সচাঁকৈয়ে গৌৰৱান্বিত অসমৰ কেচাসামগ্ৰীৰ ওপৰত ভিত্তিকৰি এনেকুৱা সৰুবৰ শিল্প প্ৰতিষ্ঠান আমাৰ ৰাজ্যখনত গঢ়ি উঠিব বুলি আৰু ভাত চাকৰি আদি নিয়োগৰ ক্ষেত্ৰত যথেষ্ঠ সুবিধা ওলাব বুলি আশা ৰাখিছো। এই ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাৱলী এটা বলিষ্ঠ পদক্ষেপ বুলি আমি বিশ্বাস কৰিছো। আমাৰ মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই ৰাষ্ট্ৰীয়কৰণ আৰু পাবলিক চেক্টৰৰ কথা কৈছে? এই ক্ষেত্ৰত মই কব খোজো যে, সমাজ ব্যৱস্থা কটকটিয়া কৰিব নোৱাৰিলে এই বিলাক কেৱল যোগান হৈয়েই থাকিব। আমাৰ জনমানসিকতাৰ ৰাষ্ট্ৰীয়কৰণ কৰিব নোৱাৰিলে এই বিলাকৰ দ্বাৰা একো সফল লাভ কৰিব নোৱাৰে। আজি বেংকত যি সকল কৰ্ম্মচাৰীয়ে কাম কৰিছে সেই সকলে বিশ্ববিদ্যালয়ৰ শতকৰা ৬৫ ভাগ, ৭০ ভাগ নম্বৰ পাই পাছ কৰা শিক্ষিত লোক। কিন্তু আই, আৰ, ডি পি আচনিৰ জৰিয়তে আমাৰ সমাজৰ এজন দুখীয়া লোকক কাৰণেও টকা তিনি হেজাৰ এওলোকৰ পৰা ওলাবলৈ ইমান টান কিয় সেই কথা বিলাক প্ৰণিধানযোগ্য। সেই কাৰণেই এইখিনি কেৱল শ্লোগান হিচাবে নলৈ ইয়াৰ 'মেৰিট ডিমেৰিটচ' কি হব পাৰে সেইটো অনুধাৱন কৰিবলৈ মই আমাৰ সংলিষ্ট সকলোকে অনুৰোধ কৰিছো।

আজি আমাৰ নিত্যব্যৱহাৰ্য্য সকলো বস্তুৰে মুল্য বৃদ্ধিৰ কথা কোৱা হৈছে। ইয়াক প্ৰতিৰোধ কৰিবৰ কাৰণে যি বাস্তৱ কাৰ্য্যপন্থা সেইটো আমি গ্ৰহণ কৰিব লাগিব। খেতিয়কে পাব লগীয়া সকলো খিনি সা-সুবিধা দিয়া হৈছে কিন্তু উৎপাদন, সংগ্ৰহ আৰু বিতৰণৰ বিজ্ঞান সম্মত বাস্তৱ কাৰ্য্যপন্থা গ্ৰহণ কৰিব নোৱাৰিলে এই সকলো বিলাক একেই থাকিব। মুল্য বৃদ্ধি ৰোধ কৰিব নোৱাৰিব।

অসমৰে চাহপাত অথচ অমসমীয়া মানুহেই আজি প্ৰতিকিলোত ৪০ টকা দৰত চাহপাত খাবলগীয়া হৈছে। সকলো অসমৰ মানুহেই চাহ খায় গতিকে সকলোৱেই যাতে এই চাহ এটা সীমিত দামৰ ভিতৰত খাব পাৰে তাৰ কাৰণে ব্যৱস্থা কৰিবলৈ মই আমাৰ চৰকাৰক অনুৰোধ কৰিছো। অসমৰ চাহপাতৰ ওপৰত কম লেভি দিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, সুদীৰ্ঘ কালছোৱাৰ ভিতৰত ৰাজ্যপালৰ ভাষণে অসমৰ ৰাইজ ৰাজনৈতিক, অৰ্থনৈতি আৰু সামাজিক পুনৰ-গঠনত এক গুৰুত্বপূৰ্ণ ভূমিকা লোৱাত আমি আশ্বস্ত হৈছো। আশাকৰো ৰাজ্যপাল মহোদয়ৰ এই উদাত্ত আহ্বানৰ প্ৰতি আমাৰ সকলো স্তৰৰ লোক সহায় সহানুভূতি আগবঢ়াব। এই থিনিকে কামনা কৰি মই ৰাজ্যপাল মহোদয়ৰ ওপৰত অনন ধন্যবাদ সূচক প্ৰস্তাৱৰ প্ৰতি সমৰ্থন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Speaker :— The House stands adjourned till ten a. m. on 5th March, 1984.

## ADJOURNMENT

The House then rose at 11-30 A.M. and stood adjourned till 10 A. M. on Monday, the 5th March 1984.

Dated Dispur,
the 2nd March 1984.

P. D. Barua,
Secretary,
Assam Legislative Assembly.